# অধ্যায় ১৩ ঃ অসমীয়া উপন্যাসৰ ধাৰা

## অধ্যায় গাঁথনি


১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব
১৩.৪ প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাস
১৩.৫ স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস
১৩.৬ এই অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবলৈ
১৩.৮ অগ্ৰগতিৰ খতিয়ান
১৩.৯ আৰ্হি প্ৰশ্ন


## ১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া উপন্যাসৰ আৰম্ভণি কালৰ বিষয়ে জ্ঞান লাভ কৰিব
- প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি সম্পৰ্কে অধ্যয়ন কৰিব
- স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব
- সামগ্ৰিকভাৱে অসমীয়া উপন্যাসৰ গতিধাৰা সম্পৰ্কে ধাৰণা লাভ কৰিব।

## ১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথম মহিলা সাহিত্যিক মামণি ৰয়ছম গোস্বামীয়ে লিখা এটি উল্লেখযোগ্য চুটিগল্প ‘উদং বাকচ’ অধ্যয়ন কৰিলে। আলোচনাৰ প্ৰসংগত মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতি তথা তেওঁৰ গল্পত সততে দেখা পোৱা বৈশিষ্ট্যসমূহৰ বিষয়েও অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আপুনি অসমীয়া উপন্যাসৰ ধাৰা সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব।

আপুনি নিশ্চয় জানে যে ‘উপন্যাস’ হ’ল আধুনিক কালৰ সাহিত্য ৰচনা কৰাৰ এক ধৰণৰ কথাশৈলী। সাহিত্যৰ আটাইবোৰ উপকৰণৰ ভিতৰত সৰ্বোৎকৃষ্ট আৰু শিথিলবন্ধী উপকৰণ হ’ল উপন্যাস। অসমীয়া ‘উপন্যাস’ শব্দটো ইংৰাজী Novel শব্দৰ প্ৰতিশব্দ হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ অৰ্থ নতুন, অভিনৱ আৰু জীৱন্ত বা সতেজ। ইয়াৰ উপৰি উপন্যাসক ‘এবিধ যথেষ্ট দীঘল মনে সজা কথাৰ ভাষাৰ গল্প, য’ত প্ৰকৃত জীৱনৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ

আৰু কাৰ্যকলাপ কম-বেছি পৰিমাণে জটিল কাহিনীত চিত্ৰিত হয়' বুলিও চিহ্নিত কৰা হয়।

অৰুণোদয় যুগতে সাহিত্যৰ এই ঠালটি অসমীয়া সাহিত্য ক্ষেত্ৰত প্ৰৱেশ কৰে। এই বিষয়ে আপুনি ইতিমধ্যে অসমীয়া সাহিত্যৰ বুৰঞ্জীত থূলমূলকৈ অধ্যয়ন কৰি আহিছে। অসমীয়া সাহিত্যৰ বিভিন্ন যুগত সাহিত্যৰ এই ঠালটি কেনেদৰে পল্লৱিত হৈছিল সেই বিষয়েও আপুনি সম্যকভাৱে সাহিত্যৰ বুৰঞ্জীতে অধ্যয়ন কৰি আহিছে। এই অধ্যায়টিত আপোনাক সামগ্ৰিকভাৱে অসমীয়া উপন্যাসৰ ধাৰাৰ লগত পৰিচয় কৰাই দিয়া হ'ব। অধ্যায়টি অধ্যয়ন কৰি আপুনি অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাস সম্পৰ্কে জ্ঞান আহৰণ কৰিব।

## ১৩.৩ অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব

সাহিত্যৰ ঠাল হিচাপে 'উপন্যাস' পাশ্চাত্য সাহিত্যত কিছু পুৰণি যদিও ভাৰতীয় সাহিত্যত ই অৰ্বাচীন। দৰাচলতে ভাৰতলৈ মিছনেৰীসকল অহাৰ পাছতহে কেইবাটাও আঞ্চলিক ভাষাত কিছুমান গদ্য কাহিনীৰ সৃষ্টি হয়। এই সময়ৰ গদ্যৰ মূল বিষয়বস্তু আছিল ধৰ্মীয়, ব্যঙ্গাত্মক আৰু ঐতিহাসিক। অসমৰ প্ৰসংগত ক'ব পাৰি যে মিছনেৰীসকলে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ অৰ্থে এই ধাৰাৰ আৰম্ভ কৰিছিল।

ঊনবিংশ শতিকাটো অসমৰ ভাষা-সাহিত্যৰ বাবে বৰ তাৎপৰ্যপূৰ্ণ সময়। অসমৰ বৌদ্ধিক দিশত এই শতিকাৰ মাজভাগত মিছনেৰীসকলে প্ৰকাশ কৰা *অৰুনোদই* কাকতৰ মাধ্যমেৰে নৱজাগৰণৰ প্ৰথমটি সোঁত সোমাই আহে। আধুনিক অসমীয়া সাহিত্যৰ নৱতম সৃষ্টি উপন্যাসৰ প্ৰথম বীজটি ৰোপিত তথা সংস্থাপিত হৈছিল *অৰুনোদই*ৰ বুকুত। এই বিষয়ে আপুনি ইতিমধ্যে এই যাণ্মাসিকৰে প্ৰথম পাঠ্যবিষয়ত অধ্যয়ন কৰি আহিছে। আমেৰিকান খ্ৰীষ্টান মিছনেৰী ড° নাথান ব্ৰাউন চাহাবে বিখ্যাত ইংৰাজী কাহিনীকাৰ জন বানিয়ানৰ The Pilgrim's Progress নামৰ উপন্যাসখন অসমীয়ালৈ অনুবাদ কৰিছিল *যাত্ৰিকৰ যাত্ৰা* নামেৰে। এইখন উপন্যাস ১৮৪৮ চনৰ নবেম্বৰ মাহৰ পৰা *অৰুনোদই* কাকতত ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল। পুথি হিচাপে প্ৰকাশ পাইছিল ১৮৫৭ চনত। এই উপন্যাসখনত পাপেৰে জৰ্জৰিত মানুহে ভগৱত দৰ্শন লাভৰ জৰিয়তে কেনেকৈ মুক্তিৰ সন্ধান পাব পাৰে সেয়া প্ৰকাশ কৰা হৈছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এইখন উপন্যাসৰ কাহিনীভাগৰ লগত অসমৰ সমাজ জীৱনৰ সম্পৰ্ক নাছিল, কাহিনী সুদৃঢ় নহয়, গদ্য ভংগী অপৰিমাৰ্জিত, বাক্যৰীতি ইংৰাজী বাক্যৰ ওচৰ চপা, আংগিকগত দিশটো বৰ দুৰ্বল। তথাপিতো এইখন উপন্যাসৰ জৰিয়তেই অসমীয়া ৰাইজ উপন্যাস নামৰ কথাশিল্পৰ লগত পৰিচিত হ'ল। এক কথাত ক'ব পাৰি এইখন প্ৰথম অসমীয়া উপন্যাস। ইয়াৰ পাছত এ. কে. গাৰ্ণিয়ে *এলোকেশী বেশ্যাৰ কথা, কামিনীকান্তৰ চৰিত্ৰ, কানি বেহেৰুৱাৰ কথা,* শ্ৰীমতী গাৰ্ণিয়ে *ফুলমণি আৰু কৰুণা* ৰচনা কৰে। মূলতঃ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ অৰ্থে এই পুথিসমূহ ৰচনা কৰা হৈছিল। এই কেইখন উপন্যাসো অসমীয়া সমাজৰ ৰুচি আৰু মানসিকতাৰ লগত বৰ ক্ষীণ সম্পৰ্কৰেহে সংযোজিত আছিল।

এই সময়তে হেমচন্দ্ৰ বৰুৱাই প্ৰকাশ কৰে *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী*। ব্যঙ্গাত্মকভাৱে সমাজৰ ভণ্ডামিবোৰ দাঙি ধৰাৰ উদ্দেশ্য ৰচিত এইখন পুথিত সুগঠিত, সুবিন্যস্ত কাহিনী আৰু নিটোল চৰিত্ৰাঙ্কন নাই। স্মৰণযোগ্য যে ব্যঙ্গপ্ৰধান সাহিত্য প্ৰকৃত ভাল উপন্যাসৰ শাৰীলৈ উঠিব নোৱাৰে, কাৰণ এনে ৰচনাত উপন্যাসৰ প্ৰয়োজনীয় অংগবোৰৰ সুস্থ আৰু কলাত্মক বিকাশলৈ লক্ষ্য ৰখা নহয়। অৱশ্যে এটা কথা ঠিক যে এইখন পুথিৰ গদ্যই অসমীয়া গদ্যৰীতিৰ বিকাশত বিশেষ পদক্ষেপ ল'লে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই এই পুথিখনৰ ৰচনাত বংগদেশত প্ৰকাশ পোৱা ব্যঙ্গধৰ্মী *নৱবাবুবিলাস, আলালেৰ ঘৰেৰ দুলাল* আদি উপন্যাসকল্পই প্ৰভাৱিত কৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে।

হেমচন্দ্ৰ বৰুৱাৰ উপন্যাসখন প্ৰকাশ হোৱাৰ আঠ বছৰৰ পাছত, অৰ্থাৎ ১৮৮৪ চনত পদ্মাৱতী দেৱী ফুকননীৰ *সুধৰ্মাৰ উপাখ্যান* প্ৰকাশ হয়। ছয়টা পৰিচ্ছেদত বৰ্ণিত ৪২ পৃষ্ঠাৰ এই উপন্যাসখনত 'সজ আৰু অসজ মানুহৰ কাৰ্য্যৰ ফল' দেখুৱাইছে বুলি উপন্যাসিকাই মন্তব্য কৰিছে। আকস্মিক সংযোগ, অপ্ৰত্যাশিত ঘটনাই কাহিনীটোক বাস্তৱধৰ্মী উপন্যাসৰ পৰা ভালেখিনি আঁতৰাই নিছে। সেয়ে এইখনো সাৰ্থক উপন্যাস হিচাপে চিহ্নিত নহ'ল। অৱশ্যে সেই সময়ত এগৰাকী অসমীয়া নাৰীয়ে এনেধৰণৰ এখন উপন্যাস লিখি প্ৰকাশ কৰাটো সঁচাকৈয়ে আদৰণীয়। ১৮৮৫ চনত প্ৰকাশ হৈ থকা *আসাম বন্ধু* (সম্পাদক ঃ ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা)ৰ প্ৰথম ভাগৰ সপ্তম আৰু অষ্টম সংখ্যাত কৰুণাভিৰাম বৰুৱাই লিখা *প্ৰমীলা* নামৰ উপন্যাস এখন ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল যদিও তাৰ পাছৰ সংখ্যা কেইটাত এইখন প্ৰকাশিত নহ'ল। প্ৰসংগত উল্লেখযোগ্য যে অসমীয়া সাহিত্যত 'উপন্যাস' শব্দটো এইখন উপন্যাসৰ প্ৰসংগতে *আসাম বন্ধু*ত পোন-প্ৰথমবাৰৰ বাবে প্ৰয়োগ হয়।

প্ৰকৃতাৰ্থত উপন্যাসৰ বৈশিষ্ট্যৰে সমৃদ্ধ অসমীয়া প্ৰথমখন উপন্যাস হ'ল *ভানুমতী*। ঔপন্যাসিক পদ্মনাথ গোহাঞিবৰুৱা। এই উপন্যাসখন পুথি হিচাপে প্ৰকাশ পাইছিল ১৯০৮ চনত। পুথিখনৰ পাতনিতে গোহাঞিবৰুৱাই লিখিছে — "*ভানুমতী* ৰচোঁতাৰ পোন প্ৰথম সাহিত্যিক অৰ্জ্জন। ইয়াক অসমীয়া সাহিত্যৰ ভঁড়ালত তেওঁৰ প্ৰথম লখিমী বুলিব লাগিব। ১৮১২-১৩ শকৰ *বিজুলী*ৰ পোহৰত ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছিল। তাৰ পাছত, ইয়াক সুকীয়াকৈ উলিয়াবৰ অৰ্থে ভালেমান দিনৰে পৰা মন কৰা হৈছিল; আনকি ৰচোঁতাৰ আনবিলাক কিতাপৰ তালিকাত ইয়াৰ নামো ওলাইছে। কিন্তু সময় আৰু সুবিধাৰ অভাৱত ইমান দিনলৈকে মনৰ কথা মনতে ৰৈছিল। এই গ্ৰন্থাকাৰৰ দ্বাৰাই সম্পাদিত *বিজুলী*ৰ পোহৰত দেখা ভানুমতীৰ আঁতিগুৰি আগৰদৰেই আছে। এতিয়া মাথোন ভানুৰ কিৰণত সুকীয়াকৈ চালে, আৰু অলপ বেছিকৈ জেউতি চৰা দেখা যাব। সি যি হওক, সেই ৰাতিপুৱা ৰোৱা পুলিটি দুপৰীয়াৰ ৰ'দত ওলাব লগা হৈছে, এতিয়া, সি পাঠকৰ অনাদৰত লেৰেলি জয় নপৰিলেই হয়।" এইখিনিতে ড° পৰীক্ষিত হাজৰিকাই 'অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰা মন্তব্যটি স্মৰণযোগ্য— "কাহিনী, পটভূমি, চৰিত্ৰ, সংলাপ, পৰিবেশ, ৰস, উৎকণ্ঠা, আদৰ্শ আৰু ৰচনা-ৰীতিৰ পিনৰপৰা ১৮৯১ চনত *বিজুলী* কাকতত প্ৰকাশিত পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* নামৰ ঘৰুৱা উপন্যাসখন

নিঃসেন্দেহে প্ৰথম মৌলিক অসমীয়া উপন্যাস বুলি ক'ব পাৰি।"

এইখিনিতে স্মৰণযোগ্য যে লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাসখনো *পদ্মাকুমাৰী* নামেৰে ১৮৯১ চনৰ *জোনাকী* কাকতৰ তৃতীয় বছৰ, প্ৰথম সংখ্যাৰ পৰা ছোৱা-ছোৱাকৈ প্ৰকাশিত হৈছিল। এইখন উপন্যাস ১৯০৫ চনত *পদুমকুঁৱৰী* নামেৰে গ্ৰন্থাকাৰে প্ৰকাশ পায়। এক কথাত ক'ব পাৰি এইখন দ্বিতীয় সাৰ্থক অসমীয়া উপন্যাস।

১৮৯২ খ্ৰীঃত পদ্মনাথ গোহাঞিবৰুৱাৰ *লাহৰী* নামৰ উপন্যাসখন গ্ৰন্থাকাৰে প্ৰকাশ পায়। এইখনেই পুথি হিচাপে ছপা হোৱা প্ৰথম অসমীয়া উপন্যাস। পুথিখনৰ প্ৰথম তাঙৰণৰ পাতনিত লিখা কথাখিনি উল্লেখযোগ্য—"অসমীয়া উপন্যাস বুলিবলৈ আজিলৈকে এখনো পুথি ওলোৱা নাই। সেই অভাৱ আৰু দুৰ্নাম গুচাবৰ মনেৰেই *লাহৰী* ৰচিবলৈ লোৱা হয়।" *গোহাঞিবৰুৱা ৰচনাৱলী*ৰ ভূমিকাত ড° মহেশ্বৰ নেওগে *লাহৰী* সম্পৰ্কে কৰা এযাৰ মন্তব্য স্মৰণীয় —"১৮৯২ চনত এইখনি ছপা হৈ ওলাল আৰু পুথি আকাৰত ওলোৱা প্ৰথম অসমীয়া উপন্যাস বুলি পৰিগণিত হ'ল। কাৰণ বেজবৰুৱাৰ *পদুম কুঁৱৰী* আৰু স্বয়ং গোহাঞিবৰুৱাৰ *ভানুমতী* তেতিয়াও *জোনাকী* আৰু *বিজুলী*ৰ পাততে সিঁচৰতি হৈ আছিল।"

*বিজুলী*ৰ দ্বিতীয় বছৰতো আন এখন উপন্যাস ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল। *মেম* নামৰ এই উপন্যাসখনৰ ঔপন্যাসিক আছিল পদ্মনাথ গোহাঞিবৰুৱাৰ জ্যেষ্ঠ ভাতৃ নীলকণ্ঠ বৰুৱা। আঠটা অধ্যায়ত বিভক্ত এই উপন্যাসখনত ব্যঙ্গাত্মক উপস্থাপন ৰীতি ব্যৱহাৰ কৰা হৈছে যদিও কাহিনী গতিশীল ৰূপত উপস্থাপিত হৈছে। *মেম* উপন্যাসৰূপে বৰ সাৰ্থক নাছিল। অৱশ্যে সামাজিক সমস্যা, নাৰী-নিৰ্যাতনৰ প্ৰতি দৃষ্টি নিক্ষেপ তথা তাৰ প্ৰতিকাৰৰ উপায় বিচৰা উপন্যাস হিচাপে এইখন উপন্যাসৰ ঐতিহাসিক মূল্য অস্বীকাৰ কৰিব নোৱাৰি।

এইকেইখন উপন্যাসৰ পাছত ৰচিত হ'ল ৰজনীকান্ত বৰদলৈৰ প্ৰথম আৰু একমাত্ৰ সামাজিক উপন্যাস *মিৰি-জীয়ৰী*। প্ৰকাশৰ চন ১৮৯৪। পাছলৈ ঐতিহাসিক উপন্যাস ৰচনা কৰি 'অসমৰ স্কট', 'উপন্যাস সম্ৰাট' হিচাপে খ্যাতি অৰ্জন কৰা ৰজনীকান্ত বৰদলৈয়ে অসমৰ ভূমিপুত্ৰ মিচিংসকলৰ জীৱনৰ পটভূমিত এইখন উপন্যাস ৰচনা কৰিছিল। এইখন প্ৰণয়মূলক উপন্যাস। বৰদলৈৰ উপন্যাসৰাজি বিষয়ে এই পাঠ্যবিষয়ৰে দ্বিতীয় অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। আলোচ্য সময়ছোৱাত ৰচিত উপন্যাসসমূহৰ ভিতৰত এইখন উপন্যাস নিঃসন্দেহে উৎকৃষ্ট বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মত পোষণ কৰিছে— "অনভিজ্ঞ নবীন লিখকৰ প্ৰথম ভৰৰ ৰচনা কৰণেই উপন্যাস কেইখন ত্ৰুটি শূন্য নহয়... ...উপন্যাস সাহিত্যৰ ভেটি নিৰ্মাণ কৰাত এওঁলোকৰো বৰঙণি মুক্তকণ্ঠে স্বীকাৰ কৰিব লাগিব।"

ইয়াৰ পাছত উনবিংশ শতিকাটিত আৰু দুখন অসমীয়া উপন্যাস প্ৰকাশ পাইছিল। যথা— হৰেশ্বৰ শৰ্মা বৰুৱাৰ *কুসুম-কুমাৰী* (১৮৯৮) আৰু মহীৰাম দাসৰ *হৰিদেও কানীয়াৰ কথা* (১৮৯৮)। প্ৰস্তুতি কালত অনুবাদ উপন্যাসেৰে (১৮৪৮) অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাটি আৰম্ভ হৈ ১৮৯১ চনত নিভাঁজ অসমীয়া উপন্যাস সৃষ্টিৰ পৰিক্ৰমাৰে এই সাহিত্যৰ ঠালটি ১৮৯৪ চনত ৰজনীকান্ত বৰদলৈৰ হাতত পল্লৱিত হৈ উঠে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** কোনে জন বানিয়ানৰ *The Pilgrim's Progress* নামৰ উপন্যাসখন অসমীয়ালৈ অনুবাদ কৰিছিল আৰু কি নামেৰে?

..........................................................................................................

**প্ৰশ্ন নং ২ ঃ** কিমান চনত পদ্মনাথ গোহাঞিবৰুৱাৰ *লাহৰী* নামৰ উপন্যাসখন গ্ৰন্থাকাৰে প্ৰকাশ পায়?

..........................................................................................................

## ১৩.৪ প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাস

ইয়াৰ আগৰ শাখাটোত অলোচনা কৰা উপন্যাসসমূহো প্ৰকৃততে প্ৰাক্-স্বাধীনতা কালৰে উপন্যাস; কিন্তু অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বটোৰ সঠিক ধাৰণা প্ৰদান কৰিবলৈকে সেই উপন্যাসকেইখনৰ বিষয়ে পৃথকে আলোচনা সন্নিবিষ্ট কৰা হ'ল। এই শাখাটিত আমি ভাৰতবৰ্ষই ইংৰাজৰ ঔপনিৱেশিকতাৰ পৰা স্বাধীনতা লাভ কৰাৰ পূৰ্বে ৰচিত উপন্যাসৰাজিৰ বিষয়ে আলোচনা কৰিম।

অসমীয়া উপন্যাসৰ বিকাশ আৰু বিস্তাৰৰ প্ৰতি লক্ষ্য ৰাখি সাহিত্য সমালোচকসকলে বিংশ শতিকাৰ প্ৰথম অৰ্ধটোক 'বিকাশ তথা প্ৰতিষ্ঠাৰ পৰ্ব' আৰু তাৰ পৰৱৰ্তী সময়ছোৱাক 'বিস্তাৰ পৰ্ব' বুলি চিহ্নিত কৰিছে। অৱশ্যে যোৱা শতিকাটোত সমগ্ৰ কালছোৱাৰ অসমীয়া উপন্যাসৰ গতি প্ৰকৃতি লক্ষ্য কৰিলে বিভিন্ন দৃষ্টিকোণেৰে বিভাজিত কৰিও আলোচনা কৰিব পাৰি। উদাহৰণস্বৰূপে— লিখকৰ ৰচনাৰ ক্ৰমানুসাৰে, উপন্যাসৰ বিষয়বস্তুৰ ভিত্তিত, উপস্থাপন পদ্ধতিৰ ভিত্তিত, লেখকৰ দৃষ্টিভংগীৰ ভিত্তিত, সমাজতাত্ত্বিক দৃষ্টিকোণেৰে, গঠন শৈলীৰ ভিত্তিত ইত্যাদি। অৱশ্যে আমাৰ এই আলোচনাত সকলো দৃষ্টিকোণৰ পৰা আলোচনা কৰাটো সম্ভৱপৰ নহয়। সেয়ে সামগ্ৰিকভাৱে অসমীয়া উপন্যাসৰ ধাৰাটিৰ ধাৰণা প্ৰদান কৰিবলৈ প্ৰধানতঃ লেখকসকলৰ ক্ৰমানুসাৰে আৰু বিষয়বস্তুৰ ভিত্তিতে আলোচনা কৰা হ'ব। প্ৰয়োজন সাপেক্ষে আন শ্ৰেণীবিভাগ সমূহো উল্লেখ কৰি যোৱা যাব।



**জানি থোৱা ভাল**

সাধাৰণতে উপন্যাসৰ বিষয়বস্তু অনুসৰিয়েই শ্ৰেণীবিভাজন কৰি আলোচনা কৰা হয়। মন কৰিবলগীয়া যে, উপন্যাসৰ বিষয়বস্তু অনুসৰি শ্ৰেণীবিভাজন কৰিলে তাৰে কেইবাটাও উপবিভাজন আহি পৰে। সেইকেইটা হ'ল— সামাজিক উপন্যাস, ৰাজনৈতিক উপন্যাস, ঐতিহাসিক

উপন্যাস, জীৱনীমূলক উপন্যাস, পৌৰাণিক উপন্যাস, আত্মজীৱনীমূলক উপন্যাস, আঞ্চলিক উপন্যাস, চাইঞ্চ ফিকচন মনস্তাত্ত্বিক উপন্যাস, দাৰ্শনিক উপন্যাস, লিৰিকেল উপন্যাস আদি। ইয়াৰ উপৰি বিভিন্ন সমালোচকে আৰু ভিন ভিন ধৰণে, অধিক সূক্ষ্ম শ্ৰেণীবিভাজনেৰেও শ্ৰেণীবিভাজন কৰি আলোচনা কৰা দেখা যায়।

মন কৰিব যে প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাসসমূহৰ মাজত আমি অৰশ্যে বিভিন্ন বিষয়বস্তুৰ পয়োভৰ দেখিবলৈ নাপাওঁ। স্বৰাজোত্তৰ কালতহে অসমীয়া উপন্যাসলৈ বিচিত্ৰ বিষয়বস্তুৰ আগমন ঘটে। অসমীয়া সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰোঁতে আপুনি নিশ্চয় এই বিষয়ে ধাৰণা লাভ কৰিছে। প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাসত মূলতঃ ঐতিহাসিক বিষয়বস্তুৱেই অধিক প্ৰাধান্য লাভ কৰিছিল। তাৰ মাজতে দুই-এখন উপন্যাসত সামাজিক ভাবধাৰা এটাও গা-কৰি উঠিছিল। বিশেষকৈ চতুৰ্থ আৰু পঞ্চম দশকত ই অধিক প্ৰগাঢ় হৈ উঠে।

অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বলৈ লক্ষ্য কৰিলে আমাৰ চকুত পৰে যে এই সময়ছোৱাত প্ৰধানতঃ ঐতিহাসিক উপন্যাসেই ৰচিত হৈছিল। প্ৰসংগক্ৰমে উল্লেখ কৰি থোৱা হ'ল যে ঐতিহাসিক উপন্যাস মানে কিন্তু ইতিহাস নহয়। এই শ্ৰেণীৰ উপন্যাসত ইতিহাসৰ জুমুঠিত কল্পনাৰ ৰহণ সানি আলো-ছায়াময় ইতিহাসৰ সমাজখন তুলি অনা হয়। সেয়ে ঐতিহাসিক উপন্যাসক ইতিহাসৰ পৰিপূৰক বুলিহে চিহ্নিত কৰা হয়, ই ইতিহাসৰ পুনৰাবৃত্তি নহয়। এনে উপন্যাসত 'ইতিহাস চেতনা'ই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এইখিনিতেই প্ৰশ্ন উঠিব পাৰে যে ইতিহাস চেতনা মানে কি? ইতিহাস চেতনা সম্পৰ্কে সমলোচক শৈলেন ভৰালীয়ে মন্তব্য কৰিছে—"অতীত মাথোন অতীতেই নহয়, অনেক ক্ষেত্ৰত অতীত বৰ্তমানৰ লগত সংযুক্ত। এনেধৰণৰ চেতনাৰ জৰিয়তে পাঠকৰ মনলৈ আত্মবিশ্লেষণৰ ভাব আনি দিব পাৰিব লাগে আৰু ইয়াতেই ফুটি উঠে একোখন ঐতিহাসিক উপন্যাসৰ সাৰ্বজনীনতা, এটা নিৰ্দিষ্ট যুগক অতিক্ৰম কৰি যাব পৰা ক্ষমতা।"

পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* আৰু *লাহৰী*, লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাসেৰে অসমীয়া ঐতিহাসিক উপন্যাসৰ ধাৰাটি আৰম্ভ হয় যদিও ৰজনীকান্ত বৰদলৈৰ হাততহে প্ৰতিষ্ঠা লাভ কৰে। ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে ৰজনীকান্ত বৰদলৈয়ে *মিৰি জীয়ৰী* উপন্যাসখনতে ঔপন্যাসিক হিচাপে ভুমুকি মাৰিছিল। এইখন তেওঁৰ একমাত্ৰ সামাজিক উপন্যাস। পৰৱৰ্তী সময়ত বৰদলৈয়ে অসম বুৰঞ্জীৰ সংকটপূৰ্ণ সময় এছোৱাক আধাৰ হিচাপে লৈ কেইবাখনো উপন্যাস ৰচনা কৰিলে। এই গোটেইকেইখন উপন্যাসেই ঐতিহাসিক উপন্যাস। বৰদলৈৰ অসমৰ সংস্কৃতিক ঐতিহ্যৰ প্ৰতি থকা শ্ৰদ্ধাৰ ফলতেই কল্পনা আৰু বুৰঞ্জীৰ সুন্দৰ সমন্বয়েৰে লিখি উলিয়ালে সাতখন ঐতিহাসিক উপন্যাস।

মানৰ অসম আক্ৰমণৰ পটভূমিত তেওঁ লিখি উলিয়ালে *মনোমতী* (১৯০০), *ৰঙ্গিলী* (১৯২৫), *নিৰ্মল ভকত* (১৯২৬), *তাম্ৰেশ্বৰী মন্দিৰ* (১৯২৬) আৰু *ৰহদ�ৈ লিগিৰী* (১৯৩০)। সেইদৰে হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত বদন বৰফুকনৰ বিৰুদ্ধে সংঘটিত হোৱা বিদ্ৰোহক কেন্দ্ৰ কৰি *দন্দুৱা দ্ৰোহ* (১৯০৯) আৰু আহোম ৰাজত্বৰ স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে সংঘটিত হোৱা

মোৱামৰীয়া বিদ্ৰোহক কেন্দ্ৰ কৰি *ৰাধা ৰুক্মিণীৰ ৰণ* (১৯২৫)। এই গোটেইকেইখন উপন্যাসৰ শেষৰ দুখনত অসমৰ ৰাজনৈতিক ঘটনাৱাজী আৰু বাকী কেইখনত ৰোমাণ্টিক প্ৰণয়মূলক কাহিনীয়ে প্ৰাধান্য লাভ কৰিছিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে *ৰাধা ৰুক্মিণীৰ ৰণ* উপন্যাসখন সেইসময়ত *আসাম-হিতৈষী* কাকতত (১৯২৫) ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছিল, পৰৱৰ্তী সময়তহে পুথি হিচাপে প্ৰকাশ পায়।



**জানি থোৱা ভাল**

বৰদলৈৰ কেইখনমান উপন্যাসৰ ৰচনাৰ চন বিভিন্ন সাহিত্য সমালোচকে ভিন ভিন ধৰণে উল্লেখ কৰিছে। ইয়াত উল্লেখ কৰা চনসমূহ শৈলেন ভৰালীয়ে ৰচনা কৰা *অসমীয়া ঐতিহাসিক উপন্যাস* (তৃতীয় প্ৰকাশ, ১৯৯৬, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী) নামৰ পুথিখনৰ পৰা গ্ৰহণ কৰা হৈছে।

ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ গোটেইকেইখন ঐতিহাসিক উপন্যাসৰ জৰিয়তে জাতিৰ ঐতিহাসিক সংকটৰ ক্ষণত সৰ্বসাধাৰণ মানুহৰ সন্মুখত অতীতৰ দুৰ্যোগৰ কাহিনী দাঙি ধৰি তাৰ মাজেদি জনগণৰ চেতনাক জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছিল। অধঃপতিত অসমীয়া সমাজখনত প্ৰাণ সঞ্চাৰ কৰিবলৈ তেওঁ এই উপন্যাসকেইখনৰ মাজেদি বৈষ্ণৱ ধৰ্মতত্ত্বৰ কিছু দিশো তুলি ধৰিছিল। উপন্যাসকেইখনত বৰদলৈৰ দেশপ্ৰেম আৰু ইতিহাস চেতনাৰ স্বাক্ষৰ সুস্পষ্ট। এই বিষয়ে এই পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়ত বহলাই আলোচনা কৰা হৈছে।

বৰদলৈৰ পৰৱৰ্তী কালত ঐতিহাসিক উপন্যাস ৰচনাত হাত দিয়ে হিতেশ্বৰ বৰবৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, হৰিনাৰায়ণ দত্ত বৰুৱা আৰু দণ্ডিনাথ কলিতাই। বুঢ়াৰজা প্ৰতাপ সিংহৰ ৰাজত্ব কালত সংঘটিত হোৱা আহোম-কছাৰীৰ সংঘৰ্ষৰ পটভূমিত হিতেশ্বৰ বৰবৰুৱাই লিখি উলিয়াইছিল *মালিতা* (১৯১৪) নামৰ উপন্যাসখন। মূলতঃ প্ৰণয়মূলক ঘটনা এটাকে প্ৰাধান্য দি ৰচনা কৰা এইখন উপন্যাসক আংগিকগত দিশেৰে বিচাৰ কৰি বহু সমালোচকে উপন্যাসৰ শাৰীত ঠাই দিবই নিবিচাৰে। চুটিগল্পকাৰ হিচাপে পৰিচিত শৰৎ চন্দ্ৰ গোস্বামীয়ে ইতিহাসৰ পটভূমিত *পানীপথ* (১৯৩০) নামেৰে এখন উপন্যাস লিখাৰ কথা সত্যেন্দ্ৰনাথ শৰ্মাই *অসমীয়া উপন্যাসৰ ভূমিকাত* উল্লেখ কৰিছে। অৱশ্যে এটা কথা ঠিক যে এই উপন্যাসখনত ঐতিহাসিক পটভূমি এটা (বাবৰ আৰু ইব্ৰাহিম লোডীৰ মাজত সংঘটিত প্ৰথম পানীপথৰ যুদ্ধ তথা বাবৰ আৰু ৰাণা সংগ্ৰাম সিংহৰ মাজত হোৱা ফাতেপুৰ চিক্ৰিৰ যুদ্ধৰ পটভূমি) বৰ্ণিত হৈছে যদিও আংগিকগত দিশেৰে ঐতিহাসিক উপন্যাস বুলি স্বীকাৰ কৰিব নোৱাৰি বুলিও তেওঁ উল্লেখ কৰিছে।

আহোম-মোগলৰ সংঘৰ্ষৰ পটভূমিত পুৰাতত্ত্ববিদ হৰিনাৰায়ণ দত্তবৰুৱাই ১৯৩১ চনত ৰচনা কৰে তেওঁৰ একমাত্ৰ উপন্যাস *চিত্ৰদৰ্শন*। অসম বুৰঞ্জীখ্যাত শৰাইঘাট যুদ্ধৰ পটভূমিত ৰচিত এইখন উপন্যাসত ঔপন্যাসিকে সাৰ্থকভাৱে ঐতিহাসিক উপন্যাসৰ বৈশিষ্ট্যসমূহ ৰক্ষা কৰাত সফলতা লাভ কৰিছে।

প্ৰাক্-স্বাধীনতাৰ কালছোৱাত ৰচিত আন এখন উল্লেখযোগ্য ঐতিহাসিক উপন্যাস হ'ল দণ্ডিনাথ কলিতাৰ *ফুল* (১৯০৮)। মানৰ তৃতীয় আক্ৰমণৰ পটভূমিত এটা প্ৰণয়মূলক কাহিনীৰে উপন্যাসখন আগবঢ়াই নিয়া হৈছে। অৱশ্যে এই উপন্যাসখনত ঐতিহাসিক ঘটনাৰ লগত কাহিনীৰ সম্পৰ্ক বৰ ক্ষীণ। ইয়াৰ পাছতো ১৯৪৮ চনত দণ্ডীনাথ কলিতাই *গণবিপ্লৱ* নামেৰে আন এখন ঐতিহাসিক উপন্যাস ৰচনা কৰিছিল।

প্ৰাক্-স্বাধীনতাৰ কালছোৱাতে অসমীয়া সামাজিক উপন্যাসৰ ধাৰাটোৰ শুভাৰম্ভ ঘটে। ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে ৰজনীকান্ত বৰদলৈয়ে ১৮৯৪ চনতে *মিৰি জিয়ৰী* উপন্যাসখন ৰচনা কৰি এই ধাৰাটোৰ পাতনি মেলে। অৱশ্যে তেওঁ আৰু পৰৱৰ্তী সময়ত সামাজিক উপন্যাসৰ পৰিৱৰ্তে ঐতিহাসিক উপন্যাস ৰচনাতহে অধিক আগ্ৰহী হৈ পৰাৰ কথা ইতিমধ্যে আমি কৰা আলোচনাৰ মাজত প্ৰতিভাত হৈছে। তেওঁৰ পিছতে আন কেইবাজনো অসমীয়া ঔপন্যাসিকে এই কালছোৱাত কেইবাখনো সামাজিক উপন্যাস ৰচনা কৰিছিল। তেওঁলোক হ'ল— হৰেশ্বৰ শৰ্মা বৰুৱা, নবীনচন্দ্ৰ ভট্টাচাৰ্য, চিন্তাহৰণ পাটগিৰি, দণ্ডীধৰ সোণোৱাল, ভৱদেৱ ভাগৱতী, কমলেশ্বৰ চলিহা, স্নেহলতা বৰুৱা, চন্দ্ৰপ্ৰভা শইকীয়া, দণ্ডিনাথ কলিতা, দেৱচন্দ্ৰ তালুকদাৰ, দীননাথ শৰ্মা, বিৰিঞ্চি কুমাৰ বৰুৱা, নিৰ্মলেশ্বৰ শৰ্মা, জমিৰউদ্দিন আহমেদ, ৰাধিকামোহন গোস্বামী আদি।

হৰেশ্বৰ শৰ্মা বৰুৱাৰ *কুসুম কুমাৰী* (১৯০৫), নবীনচন্দ্ৰ ভট্টাচাৰ্যৰ *চন্দ্ৰপ্ৰভা* (১৯০৮)— এই দুখন হ'ল বিংশ শতিকাৰ প্ৰথম দশক দুটাত ৰচিত সামাজিক উপন্যাস। তৃতীয় দশকৰ প্ৰাৰম্ভতে, ১৯২১ চনত চিন্তাহৰণ পাটগিৰিয়ে ৰচনা কৰে *সংসাৰচিত্ৰ*, দণ্ডীধৰ সোণোৱালে *চপলা* (১৯২২), ভৱদেৱ ভাগৱতীয়ে *লীলা* (১৯২৭) স্নেহলতা বৰুৱাই *বীণা* (১৯২৬)। চতুৰ্থ দশকতো স্নেহলতা বৰুৱাই *বেমেজালি* (১৯৩৪), কমলেশ্বৰ চলিহাই *প্ৰিয়া* (প্ৰকাশৰ চন তাৰিখ উল্লেখ নাই যদিও এই দশকটিতে ৰচিত বুলি সাহিত্যৰ বুৰঞ্জীকাৰসকলে ঠাৱৰ কৰিছে), চন্দ্ৰপ্ৰভা শইকীয়াই *পিতৃভিঠা* (১৯৩৭) ৰচনা কৰে। আলোচ্য কালছোৱাৰ এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক হ'ল দণ্ডিনাথ কলিতা। তেওঁ ১৯২৮ চনত ৰচনা কৰা *সাধনা* সেই সময়ৰ শ্ৰেষ্ঠ উপন্যাস হিচাপে স্বীকৃত হৈছিল। ১৯৪৮ চনত প্ৰকাশ পাই যদিও ১৯৩৮ চনতে ৰচনা কৰা *আৱিষ্কাৰ* আৰু ১৯৪৯ চনত প্ৰকাশ পোৱা *পৰিচয়*খনো চল্লিশ দশকতে ৰচনা কৰা হৈছিল। স্বাধীনতাৰ পৰৱৰ্তী কালত *গণবিপ্লৱ* নামেৰে (১৯৪৮) আন এখন ঐতিহাসিক উপন্যাসো তেওঁ ৰচনা কৰিছিল বুলি ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। দৈৱচন্দ্ৰ তালুকদাৰে ছাত্ৰ অৱস্থাতে *ধুঁৱলী-কুঁৱলী* (১৯২২) ৰচনা কৰি ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰে। ইয়াৰ পাছতে ১৯২৪ চনত *আগ্নেয়গিৰি* নামেৰে আন এখন উপন্যাস ৰচনা কৰে, প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এইখন উপন্যাসৰে দ্বিতীয় খণ্ড *বিদ্ৰোহী* (১৯৪৮) প্ৰকাশিত হয় স্বৰাজোত্তৰ কালতহে।*আৱাহন* কাকতৰ ১৯৩১-৩২ চনত ছোৱা-ছোৱাকৈ প্ৰকাশ পোৱা তেওঁৰ *অপূৰ্ণ* দহ বছৰ পাছতহে পুথি হিচাপে প্ৰকাশিত হৈছিল। ঠিক সেইদৰে আৱাহনতে তেওঁৰ *আদৰ্শপীঠ* (চতুৰ্থ দশকৰ শেষৰ ফালে) প্ৰকাশ হৈছিল। স্বাধীনতাৰ পৰৱৰ্তী সময়ত তেওঁৰ কাপৰ পৰা *দুনীয়া* (১৯৬১) নামৰ আন এখন উপন্যাস নিসৃত হয়।

*আৱাহন* কাকতৰ সম্পাদক দীননাথ শৰ্মাই চতুৰ্থ দশকত সেইখন কাকততে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। তেওঁৰ দুখন উপন্যাস — *উষা* (১৯৩৮-৩৯) আৰু *সংগ্ৰাম* *আৱাহন*ত ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছিল আৰু ষাঠিৰ দশকত ছপা ৰূপ লাভ কৰিছিল। তাৰ পাছত তেওঁ স্বৰাজোত্তৰ কালত *নদাই* (১৯৬০), *শান্তি* (১৯৬১) আৰু *নবাৰুণ* (১৯৬৭) ৰচনা কৰে। প্ৰাক্-স্বাধীনতাৰ সময়ছোৱাতে নিৰ্মলেশ্বৰ শৰ্মাৰ *কেৰাণীৰ জীৱন, মই অসমীয়া, এটি জীৱন;* ৰাধিকামোহন গোস্বামীৰ *চাকনৈয়া* আৰু *বা-মাৰলী,* জমিৰউদ্দিন আহমেদৰ *সমাজ-সংঘাত-জীৱন* প্ৰকাশিত হৈছিল। অৱশ্যে সাহিত্যৰ বুৰঞ্জীত এই কেইখন উপন্যাসৰ প্ৰকাশৰ চন উল্লেখ নাই।

প্ৰাক্-স্বাধীনতাৰ কালছোৱাৰ আটাইতকৈ শক্তিশালী ঔপন্যাসিকজন হ'ল বিৰিঞ্চি কুমাৰ বৰুৱা। তেওঁ মাত্ৰ দুখন উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যত চিৰস্মৰণীয় হৈ ৰ'ল। উল্লেখযোগ্য যে তেওঁ দুয়োখন উপন্যাসেই বেলেগ বেলেগ ছদ্মনামেৰে লিখিছিল। প্ৰাক্-স্বাধীনতাৰ কালত বীণা বৰুৱা ছদ্মনামেৰে *জীৱনৰ বাটত* (১৯৪৪) আৰু স্বৰাজোত্তৰ কালত ৰাস্না বৰুৱা ছদ্মনামেৰে *সেউজী পাতৰ কাহিনী* (১৯৫৮) ৰচনা কৰিছিল। বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰা *জীৱনৰ বাটত* উপন্যাসখনৰ মাজেদি অসমীয়া উপন্যাসক এক বিশেষ মাত্ৰা প্ৰদান কৰে। এইখন উপন্যাস অসমীয়া সাহিত্যৰ ইতিহাসত এক উজ্জ্বলতম কীৰ্তিস্তম্ভ হিচাপে চিহ্নিত হৈছে। শৈলেন ভৰালীৰ ভাষাৰে —"দ্বিতীয় মহাযুদ্ধৰ শেষৰ ফালে প্ৰকাশিত এই উপন্যাসখনত অসমীয়া গ্ৰাম্য তথা সামাজিক জীৱনৰ আটাইবোৰ দিশ ফট্‌ফটীয়াকৈ প্ৰতিফলিত হোৱাৰ উপৰি সেই সময়ৰ বিশেষ উদ্যমত চিত্ৰও ভালদৰে প্ৰদৰ্শিত হৈছে। তাতোকৈ মন কৰিবলগীয়া কথা এইটোৱেই যে উপন্যাসখনত সন্নিৱিষ্ট উপাদানসমূহে এক সুসংগঠিত ৰূপ লাভ কৰিছে আৰু ই গভীৰভাৱে সংবেদনশীল হৈ উঠিছে। আমাৰ দৈনন্দিন জীৱনৰ সৰু-সুৰা ঘটনাক লৈয়ো যে ভাল উপন্যাস ৰচনা কৰিব পাৰি সেই কথাৰ প্ৰমাণ এই উপন্যাসখনেই দাঙি ধৰিলে। কাহিনীত ভাগ লোৱা প্ৰতিটো চৰিত্ৰই সামাজিক বাস্তৱতাৰ একোটা দিশৰ প্ৰতিনিধিত্ব কৰিছে।"

এনেদৰেই প্ৰাক্-স্বাধীনতাৰ কালছোৱাত অসমীয়া উপন্যাসে এক গতিশীল ৰূপ লাভ কৰে। অৱশ্যে পৰৱৰ্তী কালতহে ই অধিক ফুলে-ফলে পল্লৱিত হৈ উজ্জ্বলি উঠে। এই বিষয়ে পৰৱৰ্তী শাখাটোত আলোচনা কৰা হ'ব।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** দৈৱচন্দ্ৰ তালুকদাৰ *অপূৰ্ণ* প্ৰথমতে ক'ত প্ৰকাশ পাইছিল?

..........................................................................................

**প্ৰশ্ন নং ৪ ঃ** দণ্ডিনাথ কলিতাৰ শ্ৰেষ্ঠ উপন্যাস বুলিলে কোনখন উপন্যাসৰ কথা কোৱা হয় আৰু সেইখন কেতিয়া ৰচনা কৰিছিল?

..........................................................................................

## ১৩.৫ স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস

ভাৰতবৰ্ষই ব্ৰিটিছৰ শাসনৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছতে অসমীয়া উপন্যাস সাহিত্যৰ বিকাশো দ্ৰুততৰ হয়। স্বৰাজোত্তৰ কালৰ অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পটভূমিৰ বিভিন্ন পৰিৱৰ্তন ঘটিল। বিশেষকৈ নাগৰিক সভ্যতাৰ পত্তন, অৰ্থনৈতিক পৰিৱৰ্তন, শিক্ষাৰ বিস্তাৰ, মধ্যবিত্ত শ্ৰেণীৰ কৰ্মকাণ্ড, গণতান্ত্ৰিক ভাবধাৰাৰ বিকাশ, স্বাধীনতা লাভ, স্বাধীনতাৰ মোহভংগ আদি বিভিন্ন কাৰকেও উপন্যাস সাহিত্যৰ জনপ্ৰিয়তাত উল্লেখযোগ্য বৰঙণি আগবঢ়ালে। উপন্যাস ৰচনাৰ সংখ্যা বৃদ্ধি পালে; বিষয়বস্তু, কলা-কৌশলৰ পৰিৱৰ্তন ঘটিল; নতুন চিন্তা-চৰ্চাৰ পৰিস্ফুৰণ ঘটিল। দ্বিতীয় মহাযুদ্ধই জন্ম দিয়া আৰ্থ-সামাজিক ব্যাধিসমূহে সমাজ জীৱন বিপৰ্যস্ত কৰি তুলিলে। এইবোৰে সৃষ্টিশীল লিখকসকলকো প্ৰভাৱিত কৰিলে। তেওঁলোকে তেওঁলোকৰ ৰচনাৰাজিৰ মাজেদি সেইবোৰ প্ৰকাশ কৰিবলৈ বা তুলি ধৰিবলৈ যথাসাধ্যে যত্নপৰ হ'ল। এনে প্ৰেক্ষাপটে অসমীয়া ঔপন্যাসিকসকলকো ঐতিহাসিক বিষয়বস্তুৰ পৰিৱৰ্তে সমাজ জীৱনক আলোড়িত কৰা বিভিন্ন বিষয়বস্তুৰ আধাৰত উপন্যাস ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰিলে। প্ৰধানতঃ অৰ্থনৈতিক সংকট, প্ৰাচীন অৰ্থনীতিৰ পঁয়ালগা অৱস্থা, পুৰণি আৰু নতুন সংঘাত, নিপীড়িত শ্ৰমিক-কৃষকৰ দুৰ্দশা আৰু তাৰ প্ৰতিবাদকল্পে আৰম্ভ হোৱা সংগ্ৰাম, সমাজবাদী ভাবধাৰাৰ বিস্তাৰ, মাৰ্ক্সীয় দৰ্শনৰ প্ৰসাৰ আদিয়ে ঔপন্যাসিকসকলক নতুন ধৰণে চিন্তা-চৰ্চা কৰিবলৈ সমল যোগালে। সেই বাবেই শৈলেন ভৰালীয়ে এই সময়ছোৱাত ৰচিত সৰহভাগ উপন্যাসতে "আধুনিক সাহিত্যৰ দুটা প্ৰধান বৈশিষ্ট্য— বাস্তৱবাদ আৰু সামাজিক সচেতনতা" পৰিস্ফুট হৈছে বুলি মন্তব্য আগবঢ়াইছে।

স্বৰাজোত্তৰ কালত অতীতলৈ ঘূৰি চাই বা বুৰঞ্জীৰ পৰা শিক্ষা গ্ৰহণ কৰি তাৰ অনুপ্ৰেৰণাৰে সাহিত্য ৰচনা কৰাৰ আগ্ৰহ সমূলি নাইকীয়া হৈ গৈছিল বুলিয়েই ক'ব পাৰি। সাম্প্ৰতিক সমাজ জীৱন ইমান বেছি জটিল হৈ পৰিছিল যে সাহিত্যিকসকলে অতীতৰ অনুপ্ৰেৰণাত সাহিত্য ৰচনা কৰাৰ প্ৰাসংগিকতা প্ৰায় নাইকীয়া হৈছিল। অৱশ্যে তাৰ মাজতো ঐতিহাসিক উপন্যাস ৰচনা কৰাৰ সুঁতিটো একেবাৰে শুকাই যোৱা নাছিল। স্বৰাজোত্তৰ কালত প্ৰকাশিত প্ৰথমখন ঐতিহাসিক উপন্যাস হ'ল দণ্ডিনাথ কলিতাৰ *গণবিপ্লৱ* (১৯৪৮)। মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত ৰচিত এইখন উপন্যাস কিন্তু সাৰ্থক ঐতিহাসিক উপন্যাস হিচাপে চিহ্নিত নহ'ল। সমালোচকসকলে এই উপন্যাসখনত ঐতিহাসিক উপন্যাসৰ বাবে প্ৰয়োজনীয় ৰসৰ সৃষ্টি নহ'ল বুলি অভিহিত কৰিছে। ইয়াৰ পাছতে পদ্ম বৰকটকীৰ *কোনো খেদ নাই* ১৯৬৩ চনত ৰচিত আন এখন ঐতিহাসিক উপন্যাস। এই উপন্যাসখনৰ সাৰ্থকতা হ'ল— ইয়াত ইতিহাসৰ বিষয় বা ঐতিহাসিক চৰিত্ৰক নতুন দৃষ্টিকোণেৰে চোৱাৰ প্ৰৱণতা সুস্পষ্ট। এইখন ঐতিহাসিক উপন্যাস প্ৰকাশৰে পৰা অতীতক বৰ্তমানৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰি চোৱাৰ পৰম্পৰাটি আৰম্ভ হয়।

ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে আলোচ্য কালছোৱাত অসমৰ জনসাধাৰণৰ অৰ্থনৈতিক দুৰৱস্থাই অতীতৰ পৰা বিষয়বস্তু আহৰণ কৰি বা অতীতক সুঁৱৰি উপন্যাস ৰচনা কৰাৰ আগ্ৰহ নাইকীয়া কৰি পেলাইছিল। কিন্তু সত্তৰ আৰু আশীৰ দশকত কেইখনমান সাৰ্থক

ঐতিহাসিক উপন্যাস ৰচিত হয়। সেইবোৰৰ ভিতৰত ঐলোক্য ভট্টাচাৰ্যৰ *সাঁচিপাতৰ পুথি* (১৯৭৩) আৰু *চৰাইদেউ* (১৯৭৭); আৰু নৰকান্ত বৰুৱাৰ *ককাদেউতাৰ হাঁড়* (১৯৭৩) আৰু *গৰমা কুঁৱৰী* (১৯৮০), দেবেন্দ্ৰনাথ আচাৰ্যৰ *জংগম* (১৯৮২) আৰু *কালপুৰুষ* (১৯৭৬) ধীৰেন বৰঠাকুৰৰ *বাঈচাহেবা* (১৯৮০) আদি উল্লেখযোগ্য। এই গোটেইকেইখন ঐতিহাসিক উপন্যাসতে ইতিহাস চেতনাক আধুনিক চিন্তা-ভাৱনাৰ লগত সুন্দৰভাৱে সংযোগ কৰি নব্যদৃষ্টিভংগীৰে অতীতক বিশ্লেষণ কৰিবলৈ কৰা যত্ন সুস্পষ্ট আৰু তাৰ মাজেদি ঔপন্যাসিকসকলে সমকালীক সামাজিক আৰু সংস্কৃতিক জীৱনক তুলি আনিবলৈ চেষ্টা কৰিছে।

স্বৰাজোত্তৰ কালত ৰচিত অধিকাংশ উপন্যাসেই প্ৰধানতঃ সামাজিক উপন্যাস। এই প্ৰসংগত গোবিন্দ প্ৰসাদ শৰ্মাই *উপন্যাস আৰু অসমীয়া উপন্যাস* পুথিত উল্লেখ কৰা এযাৰ মন্তব্য স্মৰণযোগ্য— “এইটো ঠিক যে উপন্যাস যিহেতু সাধাৰণতে মানুহক লৈয়েই ৰচিত আৰু মানুহ সামাজিক প্ৰাণী হিচাপে সমাজতেই থাকে, গতিকে সকলো উপন্যাসেই প্ৰাথমিকভাৱে সামাজিক উপন্যাস।” এই দৃষ্টিভংগীৰে বিচাৰ কৰিলে অসমীয়া উপন্যাসসমূহক আমি সামাজিক উপন্যাস বুলিয়েই অভিহিত কৰিব পাৰোঁ। কিন্তু সময়ৰ পৰিৰ্ৱতনৰ লগে লগে সাহিত্যয়ো তাৰ প্ৰকাশভংগী, আংগিক, বিষয়বস্তু আদি সকলো দিশৰে পৰিৱৰ্তন ঘটায়। এয়া উপন্যাসৰ ক্ষেত্ৰটো সমানে প্ৰযোজ্য। ইতিমধ্যে আৰু এটা কথা উল্লেখ কৰিছোঁ যে স্বৰাজোত্তৰ কালত অসমীয়া সমাজ জীৱনৰ আৰ্থ-সামাজিক-ৰাজনৈতিক ক্ষেত্ৰত বিৰাট পৰিৱৰ্তন সাধন হ'ল। সেই পৰিৱৰ্তনসমূহে অসমীয়া উপন্যাস সাহিত্যকো বিচৌত কৰিলে। উপন্যাস সাহিত্যৰ মাজলৈ বিবিধ বিষয়বস্তুৰ আগমন ঘটিল, প্ৰকাশভংগীৰ পৰিৱৰ্তন হ'ল, উপস্থাপন পদ্ধতি, কলা-কৌশলক লৈ বিভিন্ন পৰীক্ষা-নিৰীক্ষা আৰম্ভ হ'ল। ইয়াৰ পাছত স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ ধাৰাৰ বিষয়ে কৰা আলোচনাত মূলতঃ ঔপন্যাসিকসকলৰ ক্ৰমানুসাৰেহে উল্লেখ কৰা হ'ব। অৱশ্যে প্ৰসংগ সাপেক্ষে উপন্যাসৰ শ্ৰেণী বিভাজনসমূহ উল্লেখ কৰি যোৱা হ'ব। ঐতিহাসিক উপন্যাসৰাজি সাধাৰণভাৱেই শ্ৰেণীবিভাজন কৰিব পাৰি বাবে ইতিমধ্যে বেলেগে উল্লেখ কৰা হৈছে।

স্বৰাজোত্তৰ কালৰ অসমীয়া ঔপ্যনাসিকসকলৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামী, দীননাথ শৰ্মা, ঘন গগৈ, হিতেশ ডেকা, উমাকান্ত শৰ্মা, ছৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, লক্ষ্মীনন্দন বৰা, অমূল্য বৰুৱা, হোমেন বৰগোহাঞি, মেদিনী চৌধুৰী, দেবেন্দ্ৰনাথ আচাৰ্য, মামণি ৰয়চম গোস্বামী, নিৰুপমা বৰগোহাঞি, শীলভদ্ৰ, নিৰোদ চৌধুৰী, নৰকান্ত বৰুৱা, যোগেশ দাস, ৰোহিনী কুমাৰ কাকতি, নীলিমা দত্ত, কাঞ্চন বৰুৱা, মহিম বৰা, মহেন্দ্ৰ বৰঠাকুৰ, লুম্বেৰ দাই, পোলেন বৰকটকী, চন্দ্ৰপ্ৰসাদ শইকীয়া, ভবেন্দ্ৰনাথ শইকীয়া, ধীৰেশ্বৰ বৰুৱা, অতুলানন্দ গোস্বামী, জয়ন্ত ৰংপী, য়েচে দৰজে ঠংচি, ৰং বং তেৰাঙ, অৰূপা পটংগীয়া কলিতা, ভূপেন শৰ্মা, ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, তিলোত্তমা মিশ্ৰ, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য, অজিৎ বৰুৱা, আৰুণ গোস্বামী, অৰুণ শৰ্মা, ইমৰাণ শ্বাহ, দেৱব্ৰত দাস, মহম্মদ পিয়াৰ, ধ্ৰুৱজ্যোতি বৰা আদি ঔপন্যাসিকে বিভিন্ন ধাৰাৰ উপন্যাস লিখি অসমীয়া উপন্যাসৰ ধাৰাটোৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। ইয়াত উল্লেখ কৰা সকলৰ উপৰি আন বহুতো ঔপন্যাসিকে বিভিন্ন

উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যৰ ভঁৰাল চহকী কৰিছে। ইয়াত উদাহৰণ হিচাপে মাত্ৰ কেইজনমান উল্লেখযোগ্য ঔপন্যাসিকৰ নামহে উল্লেখ কৰা হৈছে।



**চিন্তা-চৰ্চা কৰক — ১৩.১**

স্বাজোত্তৰ কালৰ (১৯৪৭-১৯৭০ চনলৈ) অসমীয়া ঔপন্যাসিকসকলৰ এখন তালিকা প্ৰস্তুত কৰি তেওঁলোকে ৰচনা কৰা উপন্যাসসমূহৰ নাম লিখক।

স্বাধীনতা লাভ কৰাৰ ঠিক পাছতেই প্ৰকাশ পায় মহম্মদ পিয়াৰৰ *প্ৰীতি উপহাৰ* (১৯৪৮), *সংগ্ৰাম* (১৯৪৮) *মৰহা ফুল* (১৯৪৮), *জোৱাৰৰ ঢৌ* (১৯৪৯), *জীৱন নৈৰ জাঁজী* (১৯৪৯), *হেৰুৱা স্বৰ্গ* (১৯৫০), *পুৱতি নিশাৰ আজান* (১৯৫৫), *ৰংজুলিৰ বিহুৱান* (১৯৬৭); কাঞ্চন বৰুৱাৰ *অসমীত যাৰ হেৰাল সীমা* (১৯৪৮)। উল্লেখযোগ্য যে অসমীয়া উপন্যাস সাহিত্যত আচহুৱা পৰিৱেশত মনোৰম কাহিনীৰে ৰোমাণ্টিক পৰিৱেশ সৃষ্টি কৰি উপন্যাস ৰচনা কৰা পৰম্পৰা আৰম্ভ হয় কাঞ্চন বৰুৱাৰ এইখন উপন্যাসৰ পৰা। এই উপন্যাসখন অৱশ্যে লিখা হৈছিল ১৯৪৫ চনতে। এই সময়ছোৱাতে মূলতঃ ৰহস্যধৰ্মী উপন্যাস লিখা প্ৰেমনাৰায়ণ দত্তই আত্মপ্ৰকাশ কৰে। তেওঁৰ কাপৰ পৰা নিসৃত হয় *নিয়তিৰ নিৰ্মালী* (১৯৫৩), *প্ৰণয়ৰ সুঁতি* (১৯৫৪), *প্ৰাণৰ পৰশ* (১৯৫৭), *আকাশৰ অন্তৰালত* (১৯৬২) আদি উপন্যাস।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ কেইবছৰমান পাছতেই প্ৰকৃত অৰ্থত অসমীয়া আধুনিক উপন্যাসৰ আৰম্ভ হয়। পাশ্চাত্য সমালোচকসকলে 'আধুনিক উপন্যাসৰ বাবে নিৰ্ধাৰণ কৰা বৈশিষ্ট্যবোৰ সুন্দৰ ৰূপত ফুটি উঠিছিল প্ৰফুল্ল দত্ত গোস্বামীৰ *কেঁচা পাতত কঁপনি* (১৯৫২)ত। অৱশ্যে ইয়াৰ আগতেই তেওঁ ৰচনা কৰা *শেষ ক'ত* (১৯৪৮) উপন্যাসখনত এই ধাৰাটি শুভাৰম্ভ ঘটায়। পিছে পৰিতাপৰ কথা যে সেই সময়ত উপন্যাস মানেই কাহিনী পঠনত অভ্যস্ত অসমীয়া পাঠকে সেয়া আদৰি নললে। কিন্তু অসমীয়া আধুনিকতাবাদী উপন্যাসৰ বাটকাটোঁতা হিচাপে প্ৰফুল্ল দত্ত গোস্বামীৰ নাম অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত সদা স্মৰণীয় হৈ ৰ'ব। পৰৱৰ্তী সময়ত চন্দ্ৰপ্ৰসাদ শইকীয়াই *এদিন* (১৯৬৯), শীলভদ্ৰই *অনুসন্ধান* (১৯৮৭) আৰু ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যই *মৰুদ্যান* (১৯৯১) ৰচনা কৰি এই ধাৰাটি প্ৰবহমান কৰি ৰাখিলে।

পঞ্চাশৰ দশকত বিৰিঞ্চি কুমাৰ বৰুৱাই ৰাস্না বৰুৱা ছদ্মনামেৰে তেওঁৰ দ্বিতীয়খন উপন্যাস *সেউজী পাতৰ কাহিনী* (১৯৫৮) প্ৰকাশ কৰে। চাহ বনুৱাৰ জীৱনৰ পটভূমিত ৰচিত এইখন উপন্যাসৰ মাজেদি ঔপন্যাসিকে তেওঁৰ প্ৰখৰ সমাজ চেতনাৰ স্বাক্ষৰ দাঙি ধৰি গৈছে। এই সময়ছোৱাতে যুদ্ধৰ ধামখুমীয়া আৰু চাহ বাগানৰ পটভূমিক লৈ যোগেশ দাসে লিখি উলিয়ালে *ডাৱৰ আৰু নাই* (১৯৫৫)। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে পঞ্চাশ আৰু ষাঠিৰ দশক দুটা অসমীয়া উপন্যাস সাহিত্যৰ ক্ষেত্ৰত লেখত ল'বলগীয়া দুটা দশক। এই দুইটা দশকতে অসমীয়া উপন্যাসৰ ক্ষেত্ৰখনত বিবিধ ধাৰাৰ উপন্যাস ৰচনাৰ পৰিক্ৰমা আৰম্ভ হয়। বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্মনামেৰে লিখা *জীৱনৰ বাটত* উপন্যাসখনৰ পৰাই গ্ৰাম্য পটভূমিত সমাজ বাস্তৱতাক আধাৰ

হিচাপে লৈ উপন্যাস লিখাৰ পৰিক্ৰমা আৰম্ভ হয়। তেওঁ চিকুণাই যোৱা বাটটোৰে হিতেশ ডেকাই *আজিৰ মানুহ (১৯৫৪), নতুন পথ (১৯৫৬), ভাড়া ঘৰ (১৯৫৮), মাটি কাৰ (১৯৬০), এয়েতো জীৱন (১৯৬১), আচল মানুহ* (১৯৬৭); ঘনকান্ত গগৈয়ে *সোণৰ নাঙল* (১৯৫৬), *ভূমি কন্যা* (১৯৬২); ছৈয়দ আব্দুল মালিকে *সুৰুযমুখীৰ স্বপ্ন* (১৯৬০), লক্ষ্মীনন্দন বৰাই *গংগা চিলনীৰ পাখি* (১৯৫৬), হোমেন বৰগোহাঞিয়ে *হালধীয়া চৰায়ে বাওধান খায়* (১৯৭৩), *পিতাপুত্ৰ* (১৯৭৫); অতুলানন্দ গোস্বামীয়ে *নামঘৰীয়া* (১৯৯০), দেবেন্দ্ৰ নাথ আচাৰ্যই *অন্য যুগ অন্য পুৰুষ* (১৯৭০) আদি উপন্যাস ৰচনা কৰে। এই উপন্যাসসমূহত গ্ৰাম্য জীৱনৰ আবেগ-অনুভূতি, আধুনিক নাগৰিক সভ্যতাৰ পত্তন, পৰম্পৰাগত মূল্যবোধ, অৱক্ষয়, আদৰ্শবাদিতা আৰু আদৰ্শহীনতাৰ সংঘাত আদি সজীৱ ৰূপত আত্মপ্ৰকাশ কৰিলে। উল্লেখযোগ্য যে এই সময়ছোৱাত অসমীয়া উপন্যাস সাহিত্যৰ আটাইতকৈ প্ৰসিদ্ধ ঔপন্যাসিকজন হ'ল ছৈয়দ আব্দুল মালিক। তেওঁ *ল.সা.গু* (১৯৪১) উপন্যাসেৰে প্ৰাক্-স্বাধীনতা কালতে আত্মপ্ৰকাশ কৰিছিল যদিও স্বৰাজোত্তৰ কালতহে তেওঁৰ প্ৰতিভাই প্ৰসিদ্ধি লাভ কৰে। ঠিক সেইদৰে ৰাধিকামোহন গোস্বামীয়েও *চাকনৈয়া* (১৯৫৪) আৰু *বা মাৰলী* (১৯৫৮) উপন্যাস দুখনেৰে অসমীয়া সমাজৰ নৈতিক প্ৰমূল্যৰ অৱনতি দাঙি ধৰিছে। তিলক দাসেৰ চল্লিশ দশকৰ শেষৰ ফালে *আৰতি* উপন্যাসেৰে আত্মপ্ৰকাশ কৰি পৰৱৰ্তী সময়ত *এই ৰং এই সুৰভি* (১৯৫৪), *পৰ্বতৰ ৰূপালী জোনাক* (১৯৬৬); গোবিন্দ মহন্তই *শেষ পথ* (১৯৪৯), *কৃষকৰ নাতি* (১৯৫২), *নতুন জীৱন* (১৯৫৪); অৰুণ দাসে *ব্যৰ্থ লগ্ন* (১৯৫৮); ধৰ্মেশ্বৰ কটকীয়ে *জীৱনৰ ভগা ৰংঘৰ* (১৯৫৬); যতীন্দ্ৰনাথ গোস্বামীয়ে *মাটিৰ মুকুতি* (১৯৫৬) আদি উপন্যাস ৰচনা কৰিলে। এই উপন্যাসসমূহত ৰোমাণ্টিক প্ৰেম, দেশপ্ৰেম, সমাজ-সংস্কাৰধৰ্মী আদৰ্শ, নৈতিক মূল্যবোধ আদি দাঙি ধৰাৰ যত্ন পৰিলক্ষিত হৈছিল।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে স্বৰাজোত্তৰ কালৰ প্ৰসিদ্ধ ঔপন্যাসিক এজন হ'ল ছৈয়দ আব্দুল মালিক। মালিকে তেওঁৰ উপন্যাসসমূহৰ মাজেদি বিবিধ বিষয়বস্তু প্ৰকাশ কৰিছে। প্ৰগতিবাদী ভাবধাৰাৰে *ৰথৰ চকৰি ঘূৰে (১৯৫০)*, মধ্যবিত্ত শ্ৰেণীৰ মনসিকতাৰ প্ৰকাশেৰে *জীয়া জুৰীৰ ঘাট* (১৯৬০), *অঘৰী আত্মাৰ কাহিনী* (১৯৬৯), *ড° অৰুণাভৰ অসম্পূৰ্ণ জীৱনী* (১৯৭৫); মানৱতাবাদী ভাবধাৰাৰ *ৰূপবাৰিৰ পলস* (১৯৮০); মানুহৰ অস্বাভাৱিক মনস্তত্ত্ব লৈ *প্ৰাচীৰ আৰু কংকাল* (১৯৬৮), *সোণালী সূতাৰে বন্ধা* (১৯৭২); ***জীৱনীমূলক উপন্যাস*** *ৰূপতীৰ্থৰ যাত্ৰী* (১ম খণ্ড, ১৯৬৩, ২য় খণ্ড ১৯৬৫) আৰু *ধন্য নৰ তনু ভাল* (১৯৮৭), *প্ৰেম অমৃতৰ নদী* (১৯৯৯) আদি মালিকৰ উল্লেখযোগ্য উপন্যাস। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে মালিকে ৰচনা কৰা *ৰূপতীৰ্থৰ যাত্ৰী* উপন্যাসখনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ আদি জীৱনভাগ তুলি ধৰা হৈছে আৰু এইখনেই অসমীয়া সাহিত্যৰ প্ৰথম জীৱনীমূলক উপন্যাস। পৰৱৰ্তী সময়ত মেদিনী চৌধুৰীয়ে মাধৱদেৱৰ জীৱনক লৈ *বঞ্চুকা বেহাৰ* (১৯৭৬), ব্ৰজ শৰ্মাৰ জীৱনক লৈ *খোলাকটিৰ তাল* (১৯৮৯), বিষ্ণুৰাভাৰ জীৱনৰ আধাৰত *ফেৰেংগাদাও* (১৯৮২), আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনৰ আধাৰত *বিপন্ন সময়* (১৯৯৯); লক্ষ্মীনন্দন বৰাই শংকৰদেৱৰ জীৱনক আধাৰ কৰি *যাকেৰি নাহিকে উপাম* (১৯৯৩), মাধৱদেৱৰ জীৱনক লৈ

> ***জীৱনীমূলক উপন্যাস ঃ*** যি বোৰ উপন্যাসৰ মূল বিষয়বস্তু কোনো ব্যক্তিৰ জীৱন তেনে উপন্যাসকে জীৱনীমূলক উপন্যাস বোলে। মন কৰিবলগীয়া কথা যে জীৱনীমূলক উপন্যাস কিন্তু জীৱনী নহয়। জীৱনীৰ আধাৰত ৰচনা কৰা উপন্যাসহে।

***পৌৰাণিক উপন্যাস ঃ*** যি বোৰ উপন্যাসৰ মূল বিষয়বস্তু বা চৰিত্ৰ কোনো পুৰাকথা বা পৌৰাণিক কাহিনী, পুৰাণ আদিৰ আধাৰত নিৰ্মাণ কৰা হৈছে তেনে উপন্যাসকে পৌৰাণিক উপন্যাস বোলে।

*সেহি গুণনিধি* (১৯৯৯); প্ৰদীপ শইকীয়াই *ওমৰ খয়াম* (১৯৮৭), তিলোত্তমা মিশ্ৰই *স্বৰ্ণলতা* (১৯৯১), নিৰুপমা বৰগোহাঞিয়ে *অভিযাত্ৰী* (১৯৯৩) চন্দ্ৰপ্ৰসাদ শইকীয়াই *তোৰে মোৰে আলোকৰে যাত্ৰা* (১৯৯২) আদি জীৱনীমূলক উপন্যাস ৰচনা কৰে। চন্দ্ৰপ্ৰসাদ শইকীয়াই পৌৰাণিক চৰিত্ৰ কৰ্ণক লৈ ৰচনা কথা *মহাৰথী* (১৯৯২) এখন উল্লেখযোগ্য ***পৌৰাণিক উপন্যাস।*** ইয়াৰ পাছতো কেইবাজনো ঔপন্যাসিকে পৌৰাণিক চৰিত্ৰক লৈ উপন্যাস ৰচনা কৰা পৰিলক্ষিত হৈছে।

অসমীয়া সাহিত্যক আধুনিকতাৰ আন্দোলনৰ এগৰাকী অগ্ৰগণ্য হোতা তথা *ৰামধেনু* কাকতখনৰ সম্পাদক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য স্বৰাজোত্তৰ কালৰ এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক। তেওঁ সাহিত্যৰ প্ৰগতিবাদী ধাৰণাটোৰ কাণ্ডাৰী হিচাপে ৰাজনৈতিক উপন্যাস লিখিবলৈ আৰম্ভ কৰে। উল্লেখযোগ্য যে "যিবোৰ সামাজিক উপন্যাসৰ বিষয়বস্তু প্ৰধানতঃ বা বহুলাংশে ৰাজনীতি, তেনে উপন্যাসকে ৰাজনৈতিক উপন্যাস বোলা যায়।" তেওঁ ১৯৫৫ চনত ৰচনা কৰা *ৰাজপথে ৰিঙিয়ায়* এনে ধাৰাৰ প্ৰথমখন অসমীয়া উপন্যাস। তেওঁৰ দ্বিতীয়খন উপন্যাস *আই* (১৯৬০) ৰ বাদে আন উপন্যাসসমূহ এই ধাৰাৰ অন্তৰ্গত। উল্লেখযোগ্য যে *আই* উপন্যাসখনত স্বৰাজোত্তৰ কালৰ ভাৰত চৰকাৰৰ নতুন ভূমিনীতিয়ে সমাজত যি পৰিৱৰ্তন সাধিলে বা সৰ্বসাধাৰণৰ আৰ্থিক আৰু সামাজিক জীৱনলৈ যি বিভ্ৰাট নমাই আনিলে সেয়া প্ৰকাশ কৰা হৈছে। তেওঁৰ আন কেইখন উল্লেখযোগ্য উপন্যাস হ'ল *ইয়াৰুইংগম (১৯৫০), মৃত্যুঞ্জয় (১৯৭০), প্ৰতিপদ (১৯৭০), নষ্টচন্দ্ৰ (১৯৬৮), চিনাকি সুঁতি (১৯৭১), ডাইনী* (১৯৭৬)। ইয়াৰে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচিত উপন্যাস *মৃত্যুঞ্জয়*ৰ বাবে তেওঁ ১৯৭৯ চনত ভাৰত চৰকাৰে প্ৰদান কৰা সৰ্ব্বোচ্চ সাহিত্যক সন্মান জ্ঞানপীঠেৰে বিভূষিত হৈছিল। এই বঁটাৰে বিভূষিত তেওঁ প্ৰথমজন অসমীয়া সাহিত্যিক।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ৰচনা কৰা *ইয়াৰুইংগম* উপন্যাসখনত জনজাতীয় জীৱনৰ (নগা সমাজ জীৱনৰ বিভিন্ন দিশ) চিত্ৰ দাঙি ধৰা হৈছিল। মন কৰিবলগীয়া যে যাঠিৰ দশকৰ পৰা বৰ্তমানলৈকে জনজাতীয় জীৱনক আধাৰ হিচাপে লৈ ভালেখিনি উপন্যাস ৰচনা কৰা হৈছে। কেইবাজনো জনগোষ্ঠীয় মূলৰ ঔপন্যাসিকেই এই ক্ষেত্ৰত হাত উজান দিছে। ৰজনীকান্ত বৰদলৈৰ *মিৰি জিয়ৰী* উপন্যাসখনতে আৰম্ভ হোৱা এই পৰম্পৰাটিৰ কেইখনমান উল্লেখযোগ্য উপন্যাস হ'ল— কৈলাশ শৰ্মাৰ *বিদ্ৰোহী নগাৰ হাতত* (১৯৫৮), ৰং বং তেৰাঙৰ *ৰং মিলিৰ হাঁহি* (১৯৮২), লুম্বেৰ দাইৰ *পাহাৰৰ শিলে শিলে* (১৯৬০), *পৃথিৱীৰ হাঁহি* (১৯৬৩), *মন আৰু মন* (১৯৬৮), *কইনাৰ দাম* (১৯৮৪); জয়ন্ত ৰংপিৰ *পুৱাতে এজাক ধনেশ* (১৯৭৭), অমূল্য বৰুৱাৰ *উ-খুন জংঙা* (১৯৭৩); য়েছে দৰজে ঠংচিৰ *চমন* (১৯৮১), *লিঙঝিক* (১৯৮৩); স্বৰ্ণ বৰাৰ *সোৱণশিৰিৰ বেলৰ উকি* (১৯৯০), *ডিয়ু নদীৰ গীত* (১৯৮৫); যতীন মিপুনৰ *মিকচিজিলি* (১৯৯৩), নগেন্দ্ৰ নাথ বৰুৱাৰ *গাজাউডিছা* (১৯৮৪), উমাকান্ত শৰ্মাৰ *ভাৰণ্ড পখীৰ জাক* (১৯৯২) ইত্যাদি।

আধুনিক কবি হিচাপে অসমীয়া কাব্য সাহিত্যত স্মৰণীয় হৈ থকা নৱকান্ত বৰুৱাই যাঠিৰ দশকতে *কপিলীপৰীয়া সাধু* (১৯৫৪)ৰে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। উল্লেখযোগ্য

যে এইখন এখন আঞ্চলিক উপন্যাস। "এটা অঞ্চলক কেন্দ্ৰ কৰি, অৰ্থাৎ সেই অঞ্চলটোক কেৱল পটভূমিয়েই নহয়, বিষয়বস্তু হিচাপেও লৈ যিবোৰ উপন্যাস ৰচনা কৰা হয়, সেইবোৰ উপন্যাসকে আঞ্চলিক উপন্যাস বোলে।" অসমীয়া উপন্যাস সাহিত্যৰ কেইখনমান উল্লেখযোগ্য আঞ্চলিক উপন্যাস হ'ল নিৰুপমা বৰগোহাঞিৰ *সেই নদী নিৰৱধি* (১৯৬৩), শীলভদ্ৰৰ *মধুপুৰ* (১৯৭১), মামণি ৰয়ছম গোস্বামীৰ *দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা* (১৯৮৮) আদি। নৰকান্ত বৰুৱাই পৰৱৰ্তী সময়ত *ককাইদেউতাৰ হাড়* (১৯৭৩) আৰু *গড়মা কুৱৰী* (১৯৭৯) নামেৰে দুখন ঐতিহাসিক উপন্যাস আৰু বৌদ্ধ ধৰ্ম, সংস্কৃতি, গাথা আদিক লৈ *মানুহ আটাইবোৰ দ্বীপ* (১৯৮১) ৰচনা কৰিছিল। অসমৰ চাহ বনুৱাসকলৰ জীৱনক পটভূমি হিচাপে লৈ ৰচনা কৰা প্ৰথমখন উপন্যাস হ'ল *ডাৱৰ আৰু নাই* (১৯৫৫)। যোগেশ দাসে ৰচনা কৰা এইখন উপন্যাসত দ্বিতীয় মহাসমৰৰ সময়ত অসমীয়া সমাজ জীৱনলৈ অহা পৰিৱৰ্তনসমূহ তুলি ধৰাৰ লগতে চাহ বাগিচাৰ পটভূমিয়ে পোন প্ৰথমবাৰৰ বাবে অসমীয়া উপন্যাসত ঠাই পালে। ১৯৫৮ চনত বিৰিঞ্চি কুমাৰ বৰুৱাই লিখি উলিয়ালে *সেউজী পাতৰ কাহিনী*। এই কথা ইতিমধ্যে আগতেও উল্লেখ কৰি অহা হৈছে। অৱশ্যে চাহ বাগিচাৰ জীৱন আৰু সংস্কৃতিক একক ৰূপেৰে উপন্যাসত তুলি ধৰা হৈছে পৰৱৰ্তী কালত ৰচনা কৰা উমাকান্ত শৰ্মাৰ *এজাক মানুহ এখন অৰণ্য* (১৯৮৬) তহে। যোগেশ দাসে ৰচনা কৰা কেইখনমান উল্লেখযোগ্য উপন্যাস হ'ল— *জোনাকীৰ জুই* (১৯৫৯), *নিৰুপাই নিৰুপায়* (১৯৬৩), *ছাঁ জুই খেদি* (১৯৬৯)। ঠিক সেইদৰে উমাকান্ত শৰ্মাৰ আন কেইখনমান উল্লেখযোগ্য উপন্যাস হ'ল— *উড়ন্ত মেঘৰ ছাঁ* (১৯৬০), *ছিমছাঙৰ দুটি পাৰ* (১৯৬৪), *ৰঙা ৰঙা তেজ* (১৯৬৭), *ভাৰগু পক্ষীৰ জাক* (১৯৯২) আদি। পদ্ম বৰকটকীয়েও *মনৰ দাপোণ* (১৯৫৮), *খৰৰ বিচাৰি* (১৯৫৯), *বিচাৰৰ বাবে* (১৯৬১) ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যৰ স্বৰাজোত্তৰ কালৰ প্ৰাৰম্ভিক পৰ্যায়ত বৰঙণি যোগাইছিল।

প্ৰধানতঃ কেইবাখনো মননশীল অসমীয়া আলোচনীৰ সম্পাদক হিচাপে প্ৰতিষ্ঠিত চন্দ্ৰপ্ৰসাদ শইকীয়াই ১৯৫১ চনতে *এদিন* নামৰ উপন্যাসখনেৰে আত্মপ্ৰকাশ কৰিছিল। অৱশ্যে এই উপন্যাসখন পুথি হিচাপে প্ৰকাশ পাইছিল ১৯৬৯ চনতহে। তেওঁ কেইবাখনো উপন্যাস ৰচনা কৰিছে যদিও *মহাৰথী*খনকেই তেওঁৰ শ্ৰেষ্ঠতম উপন্যাস বুলিব পাৰি। এইখন যে এখন পৌৰাণিক উপন্যাস সেই বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। এই সময়ছোৱাতে নাৰায়ণ বেজবৰুৱাই *নতুন দিগন্ত* (১৯৬২), আৰু *প্ৰেৰণাৰ প্ৰতীক* (১৯৬৪); সুৰেশ গোস্বামীয়ে *ৰশ্মিৰ কাৰেং* (১৯৬৫), *মোহন মইনা* (১৯৭০); নিৰোদ চৌধুৰীয়ে *স্তব্ধ বৃন্দাবন* (১৯৬৮), *দেৱী* (১৯৬৯), *কালহীৰা* (১৯৭০), *জটায়ু* (১৯৭১); কামাখ্যা সভাপণ্ডিতে *জীৱনৰ দাবী* (দুটা খণ্ড, ১৯৫৯, ৬১), *সদা মৰলৰ সোণাপুৰ* (১৯৬৬); ৰোহিনী কাকতিয়ে *এক নক্ষত্ৰৰ নিশা* (১৯৬৪), *সূৰ্যৰেখা* (১৯৬৫), *ৰ'দ আৰু কুঁৱলী* (১৯৬৭), *ভগ্নাংশ* (১৯৬৯); মহেন্দ্ৰ বৰঠাকুৰে *উদাসী সন্ধ্যা* (১৯৬২), *বেগম পাৰা* (১৯৭১), *বেলিফুল* (১৯৭১); নবীন বৰুৱাই *কটন কলেজ* (১৯৭০), *প্ৰেমিকা* (১৯৭০), *অমোধ নিবিড় অন্ধকাৰ* (১৯৭২), *ফিনিক্স পখীৰ গান* (১৯৭৩); বসন্ত দাসে *জংছুন* (১৯৭৪) আদি উপন্যাস ৰচনা কৰিছিল।



**জানি থোৱা ভাল**

অসমীয়া উপন্যাস সাহিত্যত কেইবাজনো ঔপন্যাসিকে ছদ্মনামেৰে উপন্যাস ৰচনা কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাই ছদ্মনামেৰে দুখন উপন্যাস লিখাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। ঠিক সেইদৰে উমাকান্ত শৰ্মাই পশুপতি ভৰদ্বাজ ছদ্মনামেৰে উপন্যাস ৰচনা কৰিছিল। কাঞ্চন বৰুৱা নামেৰে ভুৱনমোহন বৰুৱাই, কুমাৰ কিশোৰ নামেৰে কিশোৰীমোহন শৰ্মাই, ৰেৱতীমোহন দত্ত চৌধুৰীয়ে শীলভদ্ৰ আৰু ইন্দিৰা গোস্বামীয়ে মামণি ৰয়চম গোস্বামী নামেৰে উপন্যাস ৰচনা কৰিছিল।

কাঞ্চন বৰুৱাই *অসীমত যাৰ হেৰাল সীমা* উপন্যাসখনেৰে অসমীয়া উপন্যাস সাহিত্যত আচহুৱা পৰিৱেশত মনোৰম কাহিনীৰে ৰোমাণ্টিক পৰিৱেশ সৃষ্টি কৰি উপন্যাস ৰচনা কৰা পৰম্পৰা আৰম্ভ কৰাৰ কথাও ইতিপূৰ্বে উল্লেখ কৰা হৈছে। পৰৱৰ্তী সময়ত কুমাৰ কিশোৰে *কবৰ আৰু কংকাল* (১৯৬৩), *এমুঠি তৰাৰ জিলমিল* (১৯৬৪), *বন্যাধৌত ব-দ্বীপ* (১৯৬৬); ৰোহিনীকুমাৰ কাকতিয়ে *শেতাঁ ৰ'দ* (১৯৬২), *এক নক্ষত্ৰত নিশা* (১৯৬৪), ভূপেন শৰ্মাই *উড্ডীন উত্তৰীয়* (১৯৭৫); ফণীন্দ্ৰকুমাৰ দেৱচৌধুৰীয়ে *অনুৰাধাৰ দেশ* (১৯৮৯) ৰচনা কৰি এই ধাৰাটিৰ ধাৰাবাহিকতাৰ ৰক্ষা কৰিছে।

স্বৰাজোত্তৰ কালৰ আন এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক হোমেন বৰগোহাঞিৰ উপন্যাসত বিভিন্ন ধৰণৰ দাৰ্শনিক মতবাদৰ প্ৰভাৱ পৰা দেখা যায়। উদাহৰণস্বৰূপে তেওঁ প্ৰকৃতিবাদৰ দৃষ্টিৰে *সুবালা* (১৯৬৩), *অস্তৰাগ* (১৯৮৬), অস্তিত্ববাদৰ প্ৰকাশেৰে *তান্ত্ৰিক* (১৯৬৭) ৰচনা কৰিছে। স্বৰাজোত্তৰ কালত কেইখনমান মনস্তাত্ত্বিক উপন্যাসো ৰচিত হৈছে। "মনস্তত্ত্বৰ কোনো তত্ত্বৰ আধাৰত ৰচিত উপন্যাসক অথবা মানৱ মনৰ কোনোটি বিশেষ অৱস্থা অধ্যয়ন বা পৰ্যবেক্ষণ কৰি ৰচনা কৰা উপন্যাসক মনস্তাত্ত্বিক উপন্যাস বোলে।" যেনে— কুমাৰ কিশোৰৰ *এমুঠি তৰাৰ জিলিমিলি* (১৯৬৫), ছৈয়দ আব্দুল মালিকৰ *ত্ৰিশূল* (১৯৬৮), পদ্ম বৰকটকীৰ *দুষ্মন্তৰ চুমা* (১৯৭০)।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** অসমীয়া সাহিত্যৰ প্ৰথম জীৱনীমূলক উপন্যাসখনৰ নাম কি আৰু সেইখন কোনে ৰচনা কৰিছিল।

..........................................................................................

**প্ৰশ্ন নং ৬ ঃ** কোনখন পুথিৰ বাবে কিমান চনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ভাৰত চৰকাৰে প্ৰদান কৰা সৰ্ব্বোচ্চ সাহিত্যিক সন্মান জ্ঞানপীঠ লাভ কৰিছিল?

..........................................................................................

স্বৰাজোত্তৰ কালত কেইবাগৰাকী শক্তিশালী ঔপন্যাসিকাই আত্মপ্ৰকাশ কৰিছে। তাৰে কেইবাগৰাকীমান ঔপন্যাসিকাই এতিয়াও উপন্যাস ৰচনা অব্যাহত ৰাখিছে। এই সময়ছোৱাৰ কেইগৰাকীমান উল্লেখযোগ্য ঔপন্যাসিকা হ'ল— হিৰণময়ী দেৱী, শুচীব্ৰতা ৰায়চৌধুৰী, নিৰুপমা বৰগোহাঞি, নীলিমা দত্ত, প্ৰবীণা শইকীয়া, মামণি ৰয়ছম গোস্বামী, অৰূপা পটংগীয়া কলিতা, তিলোত্তমা মিশ্ৰ, পূৰবী বৰমূদৈ আদি। হিৰণময়ী দেৱীয়ে *জীৱন সংগ্ৰাম* (১৯৫৬) আৰু শুচীব্ৰতা ৰায়চৌধুৰীয়ে *বা-মাৰলী* (১৯৫৮) ৰচনা কৰিছিল। নিৰুপমা বৰগোহাঞিয়ে *সেই নদী নিৰবধি* (১৯৬৩)ৰে ঔপন্যাসিকা হিচাপে আত্মপ্ৰকাশ কৰিছিল আৰু পৰৱৰ্তী সময়ত *ইপাৰত ঘৰ সিপাৰত ঘৰ* (১৯৭৯), *অন্য জীৱন* (১৯৮৫), *চম্পাৱতী* (১৯৯০), *অভিযাত্ৰী* (১৯৯২), *নিজৰ পৰা নিলগত* (১৯৯৬) ৰচনা কৰে। নীলিমা দত্তই ৰচনা কৰা *আকাশে বন্তিখনকেই* তেওঁৰ শ্ৰেষ্ঠ উপন্যাস হিচাপে সমালোচকসকলে চিহ্নিত কৰিছে। প্ৰবীণা শইকীয়াই *উত্তৰায়ণ* (১৯৬৭), *সিংহ দুৱাৰ* (১৯৮২) ৰচনা কৰিছিল। জ্ঞানপীঠ বটাঁ বিজয়ী দ্বিতীয়গৰাকী অসমীয়া সাহিত্যিক মামণি ৰয়ছম গোস্বামীয়ে ১৯৭২ চনত *চেনাবৰ সোঁত* উপন্যাসখনৰ ঔপন্যাসিকা হিচাপে আত্মপ্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁৰ কাপৰ পৰা নিসৃত হয় *নীলকণ্ঠী ব্ৰজ* (১৯৭৬), *অহিৰণ* (১৯৭৬), *মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস* (১৯৮০), *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* (১৯৮৮), *তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা* (১৯৯৫) ইত্যাদি। সাম্প্ৰতিক কালৰ এগৰাকী উল্লেখযোগ্য ঔপন্যাসিকা অৰূপা পটংগীয়া কলিতাই *মৃগনাভিৰে* (১৯৮৪) আত্মপ্ৰকাশ কৰিছিল আৰু তেওঁ ৰচনা কৰা আন উল্লেখযোগ্য উপন্যাস হ'ল *অয়নান্ত* (১৯৯৪), *ফেলানী* (২০০৩); তিলোত্তমা মিশ্ৰই যোৱা শতিকাটোত *স্বৰ্ণলতা* (১৯৯১) ৰচনা কৰি আত্মজীৱনীমূলক অসমীয়া উপন্যাসৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছিল। পূৰবী বৰমূদৈৰ *গজৰাজ, প্ৰেম আৰু বন্দীত্ব* (১৯৯৯) আন এখন উল্লেখযোগ্য অসমীয়া উপন্যাস।

মূলতঃ গল্পকাৰ ৰূপে প্ৰসিদ্ধ লক্ষ্মীনন্দন বৰাই ষাঠিৰ দশকতে *নিশাৰ পূৰবী* (১৯৬২)ৰে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। তেওঁ *গংঙ্গা চিলনীৰ পাখি* (১৯৬৫), *পাতাল ভৈৰৱীৰে* (১৯৮৬) অধিক জনপ্ৰিয়তা অৰ্জন কৰে। তেওঁ লিখা জীৱনীমূলক উপন্যাস কেইখনত নাম ইতিমধ্যে উল্লেখ কৰা হৈছে। ঠিক সেইদৰে গল্পকাৰ মহিম বৰাৰ *পুতলা ঘৰ* (১৯৭১), *হেৰুৱা দিগন্তৰ মায়া* (১৯৭৩); দেবেন্দ্ৰনাথ আচাৰ্যৰ *অন্য যুগ অন্য পুৰুষ* (১৯৭১) এই সময়ছোৱাৰ উল্লেখযোগ্য ফচল। উল্লেখযোগ্য যে *অন্য যুগ অন্য পুৰুষত* অস্তিত্ববাদৰ সাৰ্থক প্ৰকাশ ঘটিছে আৰু এইখনেই প্ৰথম অসমীয়া অস্তিত্ববাদী উপন্যাস। মধুপুৰৰ লিখক শীলভদ্ৰৰ *গধূলি* (১৯৮১), *অনুসন্ধান* (১৯৮৭) দুখন উল্লেখযোগ্য আধুনিকতাবাদী উপন্যাস বুলি সমালোচকসকলে চিহ্নিত কৰিছে। অনিল ৰায়চৌধুৰীয়ে ৰচনা কৰা *কাণ্ডাৰী* (১৯৭৯) আৰু *শত্ৰু* (১৯৮০) দুখন প্ৰগতিবাদী উপন্যাসৰ ভাল উদাহৰণ। গল্পকাৰ আৰু নাট্যকাৰ হিচাপে পৰিচিত ভবেন্দ্ৰনাথ শইকীয়াই ১৯৮৬ চনত *অন্তৰীপ* উপন্যাসখনেৰে ঔপন্যাসিক হিচাপে ভুমুকি মাৰে, ঠিক সেইদৰে ধীৰেশ্বৰ বৰুৱাই ১৯৮৮ চনত *সন্ধিক্ষণ* উপন্যাসেৰে, অজিৎ বৰুৱাই ১৯৯২ চনত *এখন প্ৰেমৰ উপন্যাসেৰে* ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰে। মূলতঃ নাট্যকাৰ হিচাপে পৰিচিত অৰুণ শৰ্মাই *উভলা*

*শিপা* (১৯৭৯)ৰে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। *পৰশুৰাম* (১৯৮৩), *আশীৰ্বাদৰ ৰং* (১৯৯৬) আন দুখন উল্লেখযোগ্য উপন্যাস। অতি সাম্প্ৰতিক কালৰ এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক হ'ল দেৱব্ৰত দাস। ১৯৯৬ চনত *ফুল আৰু চৰাইৰ ঠিকনা* আৰু *বৰষাৰ প্ৰথম সুবাস* উপন্যাস দুখনেৰে আত্মপ্ৰকাশ কৰা দাসৰ উপন্যাসত উত্তৰ-আধুনিকতাবাদৰ ভাব নিহিত হৈ আছে। পৰৱৰ্তী সময়ত তেওঁ লিখা *ধূসৰতাৰ কাব্য* (২০০৫)ত এয়া সাৰ্থক ৰূপত প্ৰতিভাত হৈছে। ঠিক সেইদৰে সন্তোষ কুমাৰ কৰ্মকাৰৰ *গদ্যময় জীৱনৰ উপকথা* (১৯৯৫), *গৃহভূমি* (১৯৯৫) যোৱা শতিকাটোৰ শেষ দশকৰ উল্লেখযোগ্য ফচল।

ইয়াৰ উপৰি আৰু বহু ঔপন্যাসিক-ঔপন্যাসিকাই আলোচ্য সময়ছোৱাত বিভিন্ন উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাটিৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগাইছে। ইতিমধ্যে অসমীয়া ঔপন্যাসৰ ধাৰাটিয়ে এটা শতিকা অতিক্ৰম কৰিছে। অসমীয়া উপন্যাসৰ বিষয়ে কৰা এই আলোচনাটিত প্ৰতিভাত হৈছে যে স্বৰাজোত্তৰ কালত অসমীয়া উপন্যাসে বিবিধ বৈচিত্ৰ্যৰে উদ্ভাসিত হৈ উঠিছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৭ ঃ** নিৰুপমা বৰগোহাঞিয়ে কোনখন উপন্যাসেৰে কিমান চনত ঔপন্যাসিকা হিচাপে আত্মপ্ৰকাশ কৰিছিল?

..................................................................................................

**প্ৰশ্ন নং ৮ ঃ** দেৱব্ৰত দাসৰ উপন্যাসত মূলতঃ কি ভাব নিহিত হৈ থকা অনুভূত হয়?

..................................................................................................



## ১৩.৬ এই অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উনবিংশ শতিকাটো অসমৰ ভাষা-সাহিত্যৰ বাবে বৰ তাৎপৰ্যপূৰ্ণ সময়। অসমৰ বৌদ্ধিক দিশত এই শতিকাৰ মাজভাগত মিছনেৰীসকলে প্ৰকাশ কৰা *অৰুনোদই* কাকতৰ মাধ্যমেৰে নৱজাগৰণ প্ৰথমটি সোঁত সোমাই আহে। আধুনিক অসমীয়া সাহিত্যৰ নৱতম সৃষ্টি উপন্যাসৰ প্ৰথম বীজটি ৰোপিত তথা সংস্থাপিত হৈছিল *অৰুনোদই*ৰ বুকুত। অৱশ্যে এই উপন্যাসসমূহ অসমীয়া সমাজৰ ৰুচি আৰু মানসিকতাৰ লগত বৰ ক্ষীণ সম্পৰ্কেৰেহে সংযোজিত আছিল।
- প্ৰকৃতাৰ্থত উপন্যাসৰ বৈশিষ্ট্যৰে সমৃদ্ধ প্ৰথমখন অসমীয়া উপন্যাস হ'ল *ভানুমতী*। ঔপন্যাসিক পদ্মনাথ গোহাঞিবৰুৱা। এই উপন্যাসখন পুথি হিচাপে প্ৰকাশ পাইছিল ১৯০৮ চনত। প্ৰস্তুতি কালত অনুবাদ উপন্যাসেৰে অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাটি আৰম্ভ হৈ নিভাঁজ

অসমীয়া উপন্যাস সৃষ্টিৰ পৰিক্ৰমাৰে এই সাহিত্যৰ ঠালটি ১৮৯৪ চনত ৰজনীকান্ত বৰদলৈৰ হাতত পল্লৱিত হৈ উঠে।

- প্ৰাক্-স্বাধীনতাৰ কালছোৱাতে অসমীয়া সামাজিক উপন্যাসৰ ধাৰাটোৰ শুভাৰম্ভ ঘটে ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা *মিৰি জিয়ৰী* উপন্যাসখনেৰে। অৱশ্যে তেওঁ আৰু পৰৱৰ্তী সময়ত সামাজিক উপন্যাসৰ পৰিৱৰ্তে ঐতিহাসিক উপন্যাস ৰচনাতহে অধিক আগ্ৰহী হৈ পৰে। এই সময়ছোৱাত ৰচিত অধিকাংশ উপন্যাস আছিল ঐতিহাসিক। অৱশ্যে এই সময়ছোৱাতে কেইবাজনো অসমীয়া ঔপন্যাসিকে কেইবাখনো সামাজিক উপন্যাস ৰচনা কৰিছিল। বিৰিঞ্চি কুমাৰ বৰুৱাই এই সময়তে ৰচনা কৰা *জীৱনৰ বাটত* উপন্যাসখনৰ মাজেদি অসমীয়া উপন্যাসক এক বিশেষ মাত্ৰা প্ৰদান কৰিলে; লগতে এইখন উপন্যাস অসমীয়া সাহিত্যৰ ইতিহাসত এক উজ্জ্বলতম কীৰ্তিস্তম্ভ হিচাপে চিহ্নিত হৈ ৰৈছে।
- ভাৰতবৰ্ষই ব্ৰিটিছৰ ঔপনিৱেশিক অধিকাৰৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছতে অসমীয়া উপন্যাস সাহিত্যৰ বিকাশো দ্ৰুততৰ হয়। উপন্যাসৰ বিষয়বস্তু, কলা-কৌশলৰ পৰিৱৰ্তন ঘটিল; উপন্যাসত নতুন চিন্তা-চৰ্চাৰ পৰিস্ফুৰণ ঘটিল। দ্বিতীয় মহাযুদ্ধই জন্ম দিয়া আৰ্থ-সামাজিক ব্যাধিসমূহে সমাজ জীৱন বিপৰ্যস্ত কৰি তুলিলে। এইবোৰে সৃষ্টিশীল লিখকসকলকো প্ৰভাৱিত কৰিলে। তেওঁলোকে তেওঁলোকৰ ৰচনাৰাজিৰ মাজেদি সেইবোৰ প্ৰকাশ কৰিবলৈ বা তুলি ধৰিবলৈ যথাসাধ্যে যত্নপৰ হ'ল। এই প্ৰেক্ষাপটে অসমীয়া ঔপন্যাসিকসকলকো ঐতিহাসিক বিষয়বস্তুৰ পৰিৱৰ্তে সমাজ জীৱনক আলোড়িত কৰা বিভিন্ন বিষয়বস্তুৰ আধাৰত উপন্যাস ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰিলে। প্ৰধানতঃ অৰ্থনৈতিক সংকট, প্ৰাচীন অৰ্থনীতিৰ পঁয়ালগা অৱস্থা, পুৰণি আৰু নতুন সংঘাত, নিপীড়িত শ্ৰমিক-কৃষকৰ দুৰ্দশা আৰু তাৰ প্ৰতিবাদকল্পে আৰম্ভ হোৱা সংগ্ৰাম, সমাজবাদী ভাৱধাৰাৰ বিস্তাৰ, মাৰ্ক্সীয় দৰ্শনৰ প্ৰসাৰ আদিয়ে ঔপন্যাসিকসকলক নতুন ধৰণে চিন্তা-চৰ্চা কৰিবলৈ সমল যোগালে।
- অধ্যায়টিত স্বাধীনোত্তৰ কালত ৰচিত ঐতিহাসিক উপন্যাসখিনিৰ বিষয়ে পৃথকভাৱে আলোচনা কৰাৰ লগতে এই সুদীৰ্ঘ কালছোৱাত ৰচিত সামাজিক উপন্যাস আৰু ঔপন্যাসিকসকলৰ বিষয়ে ইয়াত বিস্তৃতভাৱে উল্লেখ কৰা হৈছে।



## ১৩.৭ অধিক জানিবলৈ

১) কটকী, প্ৰফুল্ল (১৯৭৯); *স্বাধীনোত্তৰ অসমীয়া উপন্যাস সমীক্ষা;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।
২) ঠাকুৰ, নগেন (সম্পাঃ) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) নেওগ, মহেশ্বৰ (১৯৬৪); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৪) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড);* অসম ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।
৫) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৬৭); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।
৬) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৭) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৮) ভৰালী, শৈলেন (১৯৯৩); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৯) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।
১০) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।
১১) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ ভূমিকা;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।
১২) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

## ১৩.৮ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** আমেৰিকান খ্ৰীষ্টান মিছনেৰী ড° নাথান ব্ৰাউন চাহাবে বিখ্যাত ইংৰাজী কাহিনীকাৰ জন বানিয়ানৰ *The Pilgrim's Progress* নামৰ উপন্যাসখন অসমীয়ালৈ অনুবাদ কৰিছিল *যাত্ৰিকৰ যাত্ৰা* নামেৰে।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৯২ খ্ৰীঃত পদ্মনাথ গোহাঞিবৰুৱাৰ *লাহৰী* নামৰ উপন্যাসখন গ্ৰন্থাকাৰে প্ৰকাশ পায়।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** *আৱাহন* কাকতৰ ১৯৩১-৩২ চনত ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল।


**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** দণ্ডিনাথ কলিতাই ১৯২৮ চনত ৰচনা কৰা *সাধনা* তেওঁৰ শ্ৰেষ্ঠ উপন্যাস।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** ছৈয়দ আব্দুল মালিকে ৰচনা কৰা *ৰূপতীৰ্থৰ যাত্ৰী* উপন্যাসখনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ আদি জীৱনভাগ তুলি অনা হৈছে আৰু এইখনেই অসমীয়া সাহিত্যৰ প্ৰথম জীৱনীমূলক উপন্যাস।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচিত উপন্যাস *মৃত্যুঞ্জয়*ৰ বাবে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ১৯৭৯ চনত ভাৰত চৰকাৰে প্ৰদান কৰা সৰ্ব্বোচ্চ সাহিত্যিক সন্মান জ্ঞানপীঠ বঁটা লাভ কৰিছিল।

**৭ নং প্ৰশ্নৰ উত্তৰ ঃ** নিৰুপমা বৰগোহাঞিয়ে *সেই নদী নিৰৱধি* (১৯৬৩)ৰে ঔপন্যাসিকা হিচাপে আত্মপ্ৰকাশ কৰিছিল।

**৮ নং প্ৰশ্নৰ উত্তৰ ঃ** দেৱব্ৰত দাসৰ উপন্যাসত মূলতঃ উত্তৰ-আধুনিকতাবাদৰ ভাব-ধাৰা নিহিত হৈ থকা দেখা যায়।



## ১৩.৯ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) ঐতিহাসিক উপন্যাস মানে কি বুজে?

(খ) পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰথমখন উপন্যাস পোন প্ৰথমতে ক'ত ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছিল?

(গ) উমাকান্ত শৰ্মা কোন যুগৰ অসমীয়া ঔপন্যাসিক?

**প্ৰশ্ন ২ ঃ** শুদ্ধ উত্তৰটো নিৰ্ণয় কৰক—

(i) তলৰ কোনখন উপন্যাস বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই লিখা নহয়

(ক) *আই* (খ) *প্ৰতিপদ* (গ) *ইয়াৰুইংগম* (ঘ) *পৃথিৱীৰ অসুখ*

(ii) অজিৎ বৰুৱাই লিখা উপন্যাসখনৰ নাম —

(ক) *এখন প্ৰেমৰ উপন্যাস* (খ) *জংগম* (গ) *কাণ্ডাৰী*

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** ছৈয়দ আব্দুল মালিকৰ উপন্যাসসমূহৰ নাম বিষয়বস্তু অনুসৰি উল্লেখ কৰক।

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক—

(ক) অসমীয়া ঐতিহাসিক উপন্যাস

(খ) অসমীয়া জীৱনীমূলক উপন্যাস

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাসৰ বিষয়ে বহলাই আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ বিষয়ে বহলাই আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** অসমীয়া উপন্যাস সাহিত্যত অৰুণোদয় যুগৰ অৱদান শীৰ্ষক এটি প্ৰবন্ধ লিখক।

**প্ৰশ্ন ৪ ঃ** প্ৰাক্-স্বাধীনতা আৰু স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ বিষয়বস্তুৰ এটি তুলনামূলক প্ৰবন্ধ যুগুত কৰক।

*** ***** ***